# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

| বিষয় | পৃষ্ঠা |
| --- | --- |
| গান | ৩৮৫ |
| সম্পাদকের চর্চা | ৩৮৭ |
| শ্রী কৃষ্ণ কথা | ৩৯০ |
| উর্বশী | ৪০০ |
| ব্রহ্মসূত্র সঙ্গীত | ৪০২ |
| সম্পাদকীয় নিবেদন | ৪০৪ |
| সম্পাদকের প্রত্যুত্তর | ৪০৭ |
| বরবক্ষণা সুদর্শন সংবাদ | ৪১২ |
| বরবক্ষরের চিঠি | ৪১৫ |
| নগা কথা বা আদালতের সংবাদ | ৪১৯ |
| বাঙ্কুলী | ৪২৭ |
| বিয়ার নাম | ৪৩০ |
| দ্রৌপদী | ৪৩১ |

অষ্টম বছৰ, শাওণ [ বাঁহী ] ১৮৩৯ শক, ৯ম সংখ্যা।

# গান।

(১)

উৰে ফুলৰেণু, বাজি যায় বেণু
অমিয়া মাধুৰী তান,
নতুন ছন্দে মহা আনন্দে
গোৱাঁ মিলি প্ৰেমগান।
আজি সুপ্ৰসন্ন হৃদয় দেৱতা
প্ৰাণে প্ৰাণে তোলে প্ৰণয়ৰ কথা,
বিৰহ অগনি বিষাদ-ৰাগিণী
অমানিশা অৱসান।
ক'ত আছে কাৰ যৌৱন-নগৰী
আনা গই আজি সাদৰে বিচাৰি,
হৃদয়ৰ ৰাণী হিয়ালই টানি
কৰা প্ৰেমমধু পান॥

(২)

কোন নয়নৰ মণি তুমি
কোন ফুলনিৰ ৰাণী?
চাপিলা কাৰ একো নেজানি।
আমি সখি সঙ্গিনী দল

প্ৰেমৰ সূতাৰে
গাথোঁ হিয়াৰ মোহন মালা
মনৰ জোখাৰে।
শুনো আমি অনঙ্গদেৱ
পঞ্চ শৰৰ বাণী,
চাপিলোঁ কাৰ একো নেজানি।
প্ৰাণত যদি অকস্মাতে প্ৰণয় উথলে
আমাৰ সখি মৰম-বেথা নেযায় বিফলে,
তুমিন তোমাৰ বুকুৰ তলৰ
প্ৰেমপুতলি আনি,
চাপিলোঁ কাৰ একো নেজানি॥

(৩)

কাৰ হৃদয়ত গৰজিছে
সাত সাগৰৰ ঢৌ,
জানো আমি এই ব্ৰহ্মাণ্ডত
নেজানে কোনেও।
তৰাই তৰাই কথা পাতে,
জেউতি ভৰা ঘাটে বাটে
সেই কাহিনী আকাশ-বাণী
শুনিছোঁ নিতউ।
কোন কুসুমৰ গন্ধ ভৰা
হৃদয় তলাতল,
কোন মলয়াৰ পৰশ লাগি
কৰিছে চঞ্চল,
আমি আছোঁ তাৰ কটকী
নোহে আৰ কেও॥

শ্ৰীদুৰ্গাকুমাৰ ভূঞা।

---



# সম্পাদকৰ চৰা।

ভাৰতবৰ্ষ কৃষিপ্ৰধান্ দেশ। সেইদেখি ভাৰতৰ মানুহে কৃষিকাৰ্য্যতহে ঘাইকৈ মন দিয়া উচিত। ভাৰতীয় মনুহে কল-কাৰখানা স্থাপন কৰি য়ুৰোপীয়সকলেৰে সৈতে প্ৰতিযোগিতা কৰি উধাববৈল চেষ্টা কৰি সকল হোৱা বৰ মস্কিল। আজি-কালি ভালকৈ দেখা গৈছে যে পৃথিবীৰ এডোখৰত যুদ্ধাদি বিপ্লৱ ঘটিলে গোটেই পৃথিবীতে ব্যৱসায় বাণিজ্যৰ লৰকৃক্কৰক ঘটে; আৰু কৃষিত নিৰ্ভৰ নকৰা জাতি যিমানকে ধনী হওক, আমদানি ৰপ্তানিৰ গোলমাল হলে, সেই জাতি খাবলৈ নোপোৱা অৱস্থাত পৰে গৈ। বিলাতৰ মানুহে এই সত্য এতিয়া ভালকৈ বুজিছে; তেওঁলোকে এতিয়া ফুলনি-বাগিছাৰ ফুলৰ গছ কাটি, নানা ৰৰণীয়া পাতৰ ক্ৰটন গছ কাটি, তাত আলু গোমধান ইত্যাদি খোৱা বস্তুৰ খেতি কৰিছে। আমানো খেতিৰ ঠাই। ঈশ্বৰে আসামৰ মাটি বৰ সাৰুৱা কৰি দিছে; এনে স্থলত প্ৰত্যেক শিক্ষিত অসমীয়াই খেতিত মন দিয়া উচিত। ব্যৱসায়-বাণিজ্য কৰিবলৈ সৰহ ভাগ অসমীয়াৰ হাতত মূলধন নাই; আৰু ব্যৱসায়-বাণিজ্য তেওঁলোকে কেনেকৈ কৰিব লাগে, সেই বিষয়ে শিক্ষাৰ অভাৱত নাজানেও; এনে স্থলত তেওঁলোকে খেতিত ধৰাটো ভাল নহয় নে? দুজন-চাৰিজনে গোটখাই, মাটি লৈ, ধান, সৰিয়হ, মাহ, লাও, কোমোৰা, শাক-পাচলি, আলু, পিয়াজ, পটল, কুঁহিয়াৰ, ইত্যাদিৰ খেতি কৰিবলৈ ধৰিলে, অচিৰতে তেওঁলোকৰ হাতলৈ ধন আহিব, আৰু তেওঁলোকে লোকৰ গোলামী চাকৰী কৰি ধন ঘটি সুখী হবলৈ বিচৰাতকৈ হেজাৰ গুণে সুখী হব। অসমীয়াই বাণিজ্যৰ ১৬ অনালৈ হাত এতিয়া নেমেলাকৈ "তৰ্দ্ধং" আঠ অনাকে ঘটিবলৈ পুৰুষাৰ্থ কৰক, এই আমাৰ উপদেশ।

***

অসমীয়াই মুগা, পাট, এৰী ইত্যাদিলৈকো আগবঢ়া উচিত। এণ্ট্ৰেন্স, আই এ, বি-এ, "পাছ" সকল! এইবোৰ কামলৈকো আপোনালোক আগবাঢ়ক। চাকৰীৰ লোভ আৰু এৰক,—নিজৰ আৰু নিজৰ দেশৰ যদি উপকাৰ কৰিব খুজিছে।

***

যিসকলৰ জাতৰ প্ৰতিবন্ধক নাই, তেওঁলোকে গৰুছাল, মহছাল, হাড় ইত্যাদিৰ ব্যৱসায়তো ধৰিলে বৰ ভাল হয়। এইবোৰ আসামৰপৰা কলিকতালৈ ৰপ্তানি

কৰি খুব ধন ঘটিব পাৰি। কলিকতাত অনেক মুছলমান ব্যৱসাদাৰে এই কার্য্য কৰি ক্রোৰপতি হৈছে।

•••

মাছৰ ব্যৱসায় কৰিব পৰাসকলে মাছৰ কাৰবাৰ কৰক। বৰ লাভৰ ব্যৱসায়। বাহিৰৰপৰা মাছ কলিকতালৈ পঠিয়াই কত লোক ধনী হৈছে। আসামত মাছৰ বজাৰ কেইখনকে অন্ততঃ তেওঁলোকে নিজৰ হাতৰ মুঠিলৈ আনিবপৰা উচিত।

•••

আসামত সুন্দৰ বাঁহ, বেত, পাটীদৈ আছে। অসমীয়া শিক্ষিত ডেকাই কাৰিকৰ মানুহ ৰাখি, সৰুসুৰা কাৰখানা পাতি, এইবোৰেৰে, চকি, মেজ, আৰাম-চকি, চুঙা, পাচী, খৰাহী, মেৰচৰা, পেটাৰী, জপা, টিফিন্‌বাক্স, ইত্যাদি অনেক ৰকমৰ বস্তু ভালকৈ সজাই ব্যৱসায় কৰিব পাৰে। কলিকতাতো কোনো এজেণ্টৰ হতুৱাই সৰু দোকান বা show-room কৰি সেইবোৰ ৰাখিলে লাহে লাহে মানুহৰ চকুত পৰিব আৰু লাগিব, আৰু বিক্রি হব। কলিকতাত তেনে এটা খুলি তাত তেনেকুৱা বস্তু, অ.ক নগাবাকো, ভিনৰ কাপোৰ, এৰীয়া, মুগা আৰু পাটৰ কাপোৰ ইত্যাদি ৰাখি ব্যৱসায় কৰিব পাৰি। আসামৰ গোটা বেতবো কাৰবাৰ কলিকতাত হয়। অনেকে সেই ব্যৱসায় কৰি ঢুপইচা আৰ্জিব লাগিছে। কলিকতাত শিঙ্গাপুৰৰ বেত বৰ চলে। শিঙ্গাপুৰৰ বেত ভাল। কিন্তু আসামৰ জাতিবেতও শিঙ্গাপুৰৰ বেতৰ পিছে পিছে যায়। আজিকালি অনেক বেতৰ দোকানীয়ে আসামৰ জাতিবেতকে শিঙ্গাপুৰৰ বেত বুলি বজাৰত চলাই ঢুপইচা ঘটিব লাগিছে। আসামৰ জাতিবেতবো কলিকতাত বেছ Demand "কাট্‌টি"।

•••

অসমীয়াই আসামত গন্ধসৰৈ, পমা, চাম, শলখ, কঁঠাল ইত্যাদি কাঠৰ furniture-ৰৰ অৰ্থাৎ চকি, মেজ, বেঞ্চ, আলমাৰি ইত্যাদি কৰিবলৈ প্ৰথমতে সৰুসুৰাকৈ কাৰখানা খোলা উচিত। কলিকতাৰপৰা সেইবোৰ নোযোৱাকৈ তাতে সেইবোৰ কৰি গৱৰ্ণমেণ্টৰ অফিচ,স্কুল, কাছাৰী আদিতো যোগাব পাৰি। এনেবিলাক small industryত অসমীয়া শিক্ষিতসকলে হাত দিয়া উচিত। গোটাচেৰেক [illegible] কৰিব পাৰি। যোৰাই টনা পাৰী



গাড়ী, টম্‌টম্ গাড়ী আদিতো লাহে লাহে হাত দিব পৰা যাবগৈ। মটৰ গাড়ীৰ "বডি" ইত্যাদি প্ৰস্তুতলৈকে শেহত উধাব পৰা হব।

•••

গুৱাহাটীত কটন কলেজত আমাক অসমীয়া প্ৰফেচৰ লাগে, এই কথা আসামৰ কাকতত কোৱা হব লাগিছে। আমিও কওঁ, সঁচাকৈয়ে লাগে। আমাৰ অনেক অসমীয়া ডেকাই এম এ পাছ কৰিছে, তাৰেপৰা ৩।৪ জনক আমাৰ কটন কলেজত প্ৰফেচৰ কৰি গৱৰ্ণমেণ্টে সুমাই নিদিলে, আমি গৱৰ্ণমেণ্টক দিনৌ আমনি কৰিয়েই থাকিম। আসামত অসমীয়া লৰাক পঢ়াবলৈ অসমীয়া শিক্ষক লগাটো স্বতঃসিদ্ধ কথা। আগেয়ে পাবলৈ নাছিল দেখি নিদিছিল, কিন্তু এতিয়া আৰু সেই কথা নাই। অসমীয়া দ্বিতীয় শ্ৰেণীৰ এম, এ,ই বঙ্গালী প্ৰথম শ্ৰেণীৰ এম-এতকৈ অসমীয়া ছাত্ৰৰ পক্ষে উপকাৰী হব। বিশেষ, তেওঁ পঢ়াওঁতে পঢ়াওঁতে অভিজ্ঞতা লভি কালক্ৰমত ফাষ্টক্লাচ যে হব, তাত আমাৰ সন্দেহ নাই। তেনেকুৱা Under-graduate হেডমাষ্টৰৰ, Graduate হেডমাষ্টৰতকৈ অনেক সময়ত শ্ৰেষ্ঠ হোৱাৰ উদাহৰণ অনেক আছে। আজিলৈকে আমাৰ ২০ জন এম, এ, লেখত পাইছোঁ। তেওঁলোকৰ লেখ তলত দিলোঁ :—

(১) শ্ৰীযুত ৰাধানাথ ফুকন এম, এ, বি, এল (১৮৯৭) ফিজিক্সত দ্বিতীয় বিভাগত, এতিয়া, ই, এ, চি। (২) শ্ৰীযুত আনন্দচন্দ্ৰ ভট্টাচাৰ্য্য এম, এ, (১৮৯৯) ফিলজফিত, ৩য় বিভাগত, এতিয়া চবডিপুটীকলেক্টৰ। (৩) শ্ৰীযুত কালীৰাম মেধি এম, এ, (১৯০৩) ফিজিক্সত, এতিয়া ই, এ, চি, ২য়। (৪) শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা এম, এ, বি, এল, (১৯০৪) বটেনিত, ৩য়, এতিয়া ই, এ, চি। (৫) মৌলবি মহম্মদ চাদুল্লা, এম, এ, বি, এল, (১৯০৬) কেমিষ্ট্ৰীত, ৩য়, এতিয়া উকিল। (৬) মৌঃ আতাৱৰ ৰহমন এম, (১৯০৮) ইংলিচ, ৩য়, (৭) শ্ৰীযুত বিষ্ণুচন্দ্ৰ বৰুৱা এম, এ, বি, এল (১৯১১) কেমিষ্ট্ৰী, ৩য়, এতিয়া উকিল। (৮) শ্ৰীযুত মহেন্দ্ৰনাথ গোহাঁই এম, এ, বি, এল, (১৯১১) কেমিষ্ট্ৰী, ৩য়, এতিয়া উকিল। (৯) শ্ৰীযুত প্ৰেমধৰ গোহাঁই এম, এ, (১৯১২) ফিলজফি, ২য়, চবডিপুটি। (১০) শ্ৰীযুত লক্ষ্মীনাথ শৰ্ম্মা (১৯১২) সংস্কৃত, ৩য়, হেডমাষ্টৰ। (১১) মৌলবি আমিনদ্দিন আহমদ এম, এ, বি, এল, (১৯১২) ইকনমিক্স, ৩য়, ই, এ, চি। (১২) শ্ৰীযুত বিষ্ণুৰাম মেধি, এম, এচ চি, বি, এল, (১৯১৩) কেমিষ্ট্ৰী, উকিল। (১৩) শ্ৰীযুত গোলোকচন্দ্ৰ

বৰুৱা এম, এ, বি, এল, (১৯১৩) ফিলজফি, ৩য়, উকিল। (১৪) শ্ৰীযুত নীলমাধৱ বৰুৱা এম, এ, বি, এল, (১৯১৩) ফিলজফি, ৩য়, উকিল। (১৫) শ্ৰীযুত গোপীনাথ বৰদলৈ এম, এ, বি, এল, (১৯১৪) হিষ্টৰি, ২য়, উকিল। (১৬) শ্ৰীযুত সিদ্ধেশ্বৰ গোহাঁই, এম, এ, বি, এল, (১৯১৪) ফিলজফি, ২য়, ই, এ, চি। (১৭) শ্ৰীযুত স্বৰ্গাকুমাৰ ভূঞা এম, এ, (১৯১৬) ইংলিচ, ২য়। (১৮, মৌলবি হবিবৰ ৰহমন এম, এ, (১৯১৬) ইংলিচ, ৩য়। (১৯) শ্ৰীযুত পদ্মধৰ চলিহা এম, এ, (১৯১৬) ইংলিচ, ৩য়। (২০ শ্ৰীযুত ধৰ্ম্মেশ্বৰ দাস, এম, এ, (১৯১৬) ইংলিচ, ৩য়।

এইসকলৰ ভিতৰৰ বিজেইজনাই শিক্ষা বিভাগত সোমাবলৈ ইচ্ছা কৰে, তেওঁ-লোকৰ ভিতৰৰপৰা অন্ততঃ ৩।৪ জনক কটন কলেজত প্ৰফেচৰ কৰি দিয়ক, আমি আমাৰ চিফ্ কমিশ্যনৰ হুৰ আৰ্ল চাহাবক ইয়াকে খাটোঁ। যি চাৰিজন এতিয়াও কোনো কাম বা ব্যৱসায়ত (profession) লিপ্ত হোৱা নাই, তেওঁলোকৰ ভিতৰৰ অন্ততঃ দুজন বা তিনিজনক কটন কলেজত সুমাই দিলে, আমি বৰ সুখ পাম।

---

# শ্ৰীকৃষ্ণকথা।

শ্ৰীশঙ্কৰদেৱে তেওঁৰ কীৰ্ত্তনত লেখিছে—

"ইতো ৰাসক্ৰীড়া কেলি নামে কাম জয়।
কৰিলা ভূতাৰ পদে কৃষ্ণ কৃপাময় ॥"

ভাগৱতৰ ৰাসলীলাৰ টীকাৰ আদিতে শ্ৰীধৰ স্বামীয়ে লেখিছে যে এই ৰাসলীলাৰ উদ্দেশ্য মদনৰ দৰ্পজয়। ৰাস পঞ্চাধ্যায়ৰ মূল শ্লোকৰপৰা তেওঁ চাৰিটি বাক্য তুলি কৈছে যে এই চাৰিটি বাক্যৰ প্ৰকৃত মৰ্ম্ম বুজিব পাৰিলেই দেখা যাব, যে ৰাসলীলা বাস্তবিকতে পৰস্ত্ৰী-সেৱা প্ৰচাৰক প্ৰবৃত্তি মাৰ্গৰ কথা নহয়, কন্দৰ্পৰ দৰ্পজয়মূলক নিবৃত্তি মাৰ্গৰ কথা; সংযমৰ উপদেশ। তাত বৰ্ণিত কাম-কথা এটা আৱৰণ মাথোন। আমাৰ দেশৰ সকলো শ্ৰেষ্ঠ শাস্ত্ৰই নিবৃত্তি অৰ্থাৎ সংযমৰ হে উপদেশ দিছে, ৰাসলীলাই সেই উপদেশ আৰু বিশেষ কৰি হে দিছে। সেইদেখি স্বামীয়ে লেখিছে "শৃঙ্গাৰ কথাপদেশেন বিশেষতো নিবৃত্তিপৰেয়ং পঞ্চাধ্যায়ীতি ব্যক্তি



কৰিষ্যামঃ।" শ্ৰীমদ্ভাগৱতৰ ৰাসলীলাৰ প্ৰকৃত অৰ্থ নুবুজি তাৰ কু ব্যাখ্যা কৰি স্বাৰ্থপৰ ইন্দ্ৰিয়পৰায়ণ অনেক মানুহে সংযমৰ সলনি যথেচ্ছাৰ প্ৰচাৰ কৰি আমাৰ সমাজৰ অনিষ্ট কৰিছিল, আৰু এতিয়াও কৰিব লাগিছে।

পৰমাত্মাৰে সৈতে জীৱাত্মাৰ সম্পূৰ্ণ আনন্দময় মিলনেই ৰাসলীলা। আত্মা মায়া বা অবিদ্যাৰ দ্বাৰাই বদ্ধ হৈ জীৱ হয়। লাহে লাহে জীৱই মায়াৰ আৱৰণ তৰপে তৰপে ফালি তাৰপৰা ওলাই, তেওঁৰ শৰীৰ প্ৰাণ, মন, বুদ্ধিৰ দ্বাৰাই আত্মাৰ স্বৰূপজ্ঞান প্ৰাপ্ত হয়। জীৱাত্মা অন্নময় কোষ, প্ৰাণময় কোষ, মনোময় কোষ, বিজ্ঞানময় কোষ, আৰু আনন্দময় কোষ, এই পঞ্চকোষেৰে আবৃত থাকে। পৰমাত্মামুখী জীৱাত্মাৰ স্বৰূপজ্ঞানৰ প্ৰথম চাপ অন্নময়, তাৰ পিছত প্ৰাণময়, তাৰ পিছত মনোময়, তাৰ পিছত বিজ্ঞানময়, আৰু শেহৰ চাপ আনন্দময় কোষ। এই আনন্দময় কোষত সম্পূৰ্ণৰূপে উপস্থিত হইলে জীৱই আনন্দময় পৰমাত্মাৰ স্বৰূপ জানি নিজকো সেই আনন্দময়ৰ যোগ্য কৰি আনন্দময়ৰে সৈতে মিলাব পাৰে। জীৱাত্মাৰ ক্ৰমবিকাশ এই নিয়মেৰেই ঘটে। বৃন্দাবনত আনন্দময় পৰমাত্মাৰ ৰাসলীলাৰ গূঢ় তাৎপৰ্য্যই এয়ে। আনন্দময় পৰমাত্মা পৰমব্ৰহ্ম শ্ৰীকৃষ্ণৰে সৈতে আনন্দময় অৱস্থাত উপনীত জীৱাত্মা গোপীসকলৰ সৰ্ব্বতোভাৱে মিলনৰ লীলাই ৰাসলীলা। অন্তৰ্যামী পৰমাত্মা ভগৱন্তৰ সহায়ত, পৰমাত্মাৰে সৈতে মিলনকামী জীৱাত্মাৰ পঞ্চকোষময় শৰীৰৰ মাজেদিয়েই ক্ৰমবিকাশ ঘটি, বসময় পৰমাত্মাৰে সৈতে জীৱাত্মাৰ এই আনন্দময় ৰাসলীলাৰ মিলন হয়। মায়াবদ্ধ জীৱাত্মাৰ মায়াৰ বন্ধন এই দৰেই মুকলি হৈ জীৱাত্মা শেহৰ তৰপত উপস্থিত হৈ সোঽহং হয়। গুৰিতে পৰমাত্মাৰে সৈতে সমধৰ্ম্মী জীৱাত্মাই, মাজতে পৰমাত্মাৰে বিচ্ছিন্ন হৈ শৰীৰ ধাৰণ কৰি মায়াত আবদ্ধ হৈ অৰ্থাৎ পঞ্চকোষৰে আবৃত হৈ, ক্ৰমে ক্ৰমে সেই আৱৰণ কাটি কাটি শেহত আকৌ স্বৰূপ পৰমাত্মাক পোৱাটোৱেই বৃন্দাবনত শ্ৰীকৃষ্ণৰ গোপীসকলেৰে সৈতে মিলন ৰাসলীলাৰ আধ্যাত্মিক তত্বমূলক Concrete ব্যাখ্যা। উপনিষদৰ ঋষিসকলৰ ব্ৰহ্মৰ স্বৰূপ নিৰূপণৰ শেহ সিদ্ধান্ত যে তেওঁ আনন্দময়, ব্ৰহ্ম সত্যং জ্ঞানমানন্দং, ব্ৰহ্ম সচ্চিদানন্দম্, এই আনন্দময়ক আৰু আনন্দময়ৰ কাৰ্য্য বা লীলাক Concrete ভাৱে বৰ্ণনা কৰিছে শ্ৰীমৎ ভাগৱতত মহামুনি জগৎগুৰু ব্যাসে। এই কাৰণেই ভাগৱত পুৰাণৰ শ্ৰেষ্ঠ। পুৰাণ পঞ্চম বেদ, এই কথা অতীতৰপৰা চলি আহিছে। পুৰাণ বেদসকলৰ পিছত, এই ধাৰণা যদিও অনেকৰ মনত আছে,

তথাপি সকলোবোৰ পুৰাণৰ পক্ষে ই ঠিক নহয়। বৃহদাৰণ্যক উপনিষদত পুৰাণৰ কথা বিশেষ ভাৱে কোৱা আছে। অনেক পুৰাণৰ অস্তিত্ব অতীজৰ বেদবো আগত—লিখিত ভাৱেই হওক, বা শ্ৰুত কিম্বদন্তি ভাৱেই হওক। পুৰাণ এই নামটোৱেই তাৰ প্ৰবণিত্ব প্ৰকাশ কৰে। বেদবোৰ তেনেকুৱা পুৰাণৰ ওপৰতেই প্ৰতিষ্ঠিত। শ্ৰুতি আৰু স্মৃতিত যি পোৱা নাযায়, পুৰাণৰপৰাই সেইবোৰ নিৰ্ণীত হয়। পুৰাণত নানা দেৱতাৰ কথা কৈছে, আৰু পুৰাণৰ প্ৰকৃত অৰ্থ অনেক সময়ত দুৰ্বোধ্য। কল্পভেদত পুৰাণৰ বিভিন্নতা ঘটিছে। সাত্ত্বিক কল্পত হৰিৰ মাহাত্ম্য, ৰাজসিক কল্পত ব্ৰহ্মাৰ মাহাত্ম্য আৰু তামসিক কল্পত অগ্নি আৰু শিৱৰ মাহাত্ম্য পৰিকীৰ্ত্তিত হৈছে। সত্ত্ব-ৰজ তমময় কল্পত সৰস্বতী আৰু পিতৃসকলৰ মাহাত্ম্য কীৰ্ত্তিত হৈছে। সাত্ত্বিক কল্পৰ পুৰাণৰ ভিতৰতো মতভেদ আছে। বেদ ইতিহাস পুৰাণবোৰৰ সাৰাৰ্থ প্ৰকাশ কৰিছে ব্ৰহ্মসূত্ৰই। জগতত প্ৰচাৰিত সকলোবোৰ পুৰাণৰ সকলো লক্ষণ থকা অথচ সেই নানা মতভেদ থকা পুৰাণৰ কথাৰ সংশয় ছেদ কৰিবৰ নিমিত্তে এখন পুৰাণ ৰচনা কৰিবৰ প্ৰয়োজন ব্যাসদেৱৰ মনত খেলালে। কেনেকৈ কি কৰিব, তেওঁ ভাবি থিৰ কৰিব নোৱাৰাৰ নিমিত্তে তেওঁৰ চিত্তৰ অপ্ৰসন্নতা ঘটিল। তেওঁ ব্ৰহ্মসূত্ৰ ৰচনা কৰিলে, কিন্তু ভগৱত্তত্ত্বৰ ঐশ্বৰ্য্য আৰু মাধুৰ্য্যপূৰ্ণ বিচিত্ৰ গূঢ় লীলা কেনেকৈ প্ৰকাশ কৰিব সেইটোৰ উৱাদিহ নাপাই সমাধিস্থ হৈ ভাবিবলৈ ধৰিলে। এই অৱস্থাত তেওঁৰ ওচৰলৈ দয়ালু ও মহাভক্ত নাৰদৰ শুভাগমন। নাৰদৰপৰা সাংকেতিক উপদেশ লভি, সেই সূচনা অনুসৰি, ব্যাসদেৱে তেওঁৰ ৰচিত ব্ৰহ্মসূত্ৰবোৰৰ ভাষ্যস্বৰূপে শ্ৰীমদ্ভাগৱত মহাশাস্ত্ৰ ৰচনা কৰিলে, আৰু তেতিয়াহে তেওঁৰ চিত্তৰ প্ৰসন্নতা ঘটিল। শ্ৰীমদ্ভাগৱতত তেওঁ সকলো শাস্ত্ৰৰে ভাবাৰ্থৰ সমন্বয় কৰিলে, আৰু সকলো বেদৰ সূত্ৰস্বৰূপ গায়ত্ৰীক অৱলম্বন কৰি শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ৰচনা কৰিলে। শ্ৰীমদ্ভাগৱতৰ প্ৰথম শ্লোকতেই গায়ত্ৰীৰ অৰ্থ প্ৰতিপাদিত হৈছে—

"জন্মাদ্যস্য যতোঽন্বয়াদিতৰতশ্চাৰ্থেষ্বভিজ্ঞঃ স্বৰাট্।
তেনে ব্ৰহ্ম হৃদা য আদিকবয়ে মুহ্যন্তি যৎ সূৰয়ঃ॥
তেজোবাৰিমৃদাং যথা বিনিময়ো যত্ৰ ত্ৰিসৰ্গোঽমৃষা।
ধাম্না স্বেন সদা নিৰস্তকুহকং সত্যং পৰং ধীমহি॥"

অৰ্থাৎ—যি সকলো সৃষ্টপদাৰ্থত সৎৰূপে বৰ্ত্তমান আছে দেখি সেইবোৰৰ সত্ত্ব



স্বীকৃত হৈছে; আকাশ-কুসুম, বন্ধ্যাৰ সন্তান, ইত্যাদি অৱস্তুত যাৰ একো সম্বন্ধ নথকাৰ নিমিত্তে সেইবোৰৰ সত্তা স্বীকৃত নহয়; যি জগতৰ জন্মাদিৰ আদি কাৰণ; যাৰপৰা এই প্ৰত্যক্ষ পৰিদৃশ্যমান জগতৰ জন্ম, স্থিতি আৰু বিনাশ হৈছে; যি সৰ্ব্বজ্ঞ আৰু স্বতঃসিদ্ধজ্ঞানসম্পন্ন; যি বেদত পণ্ডিতসকলৰ বুদ্ধি কুণ্ঠিত হয়, আদি কবি ব্ৰহ্মাৰ হৃদয়াকাশত যিজনে সেই বেদ প্ৰকাশ কৰিছিল; সত্ত্ব, ৰজঃ আৰু তমঃ এই তিনি গুণৰ সৃষ্টি বাস্তৱিক অসত্য, কিন্তু যেনেকৈ মৰীচিকাদিত জলভ্ৰম হোৱাত সেইবোৰ সত্য বোধ হয়, সেই দৰে উক্ত ত্ৰিবিধ গুণ অসত্য যদিও, যিজনৰ সত্যতাৰ নিমিত্তে সেই তিনি গুণ সত্যৰূপে প্ৰতীয়মান হৈছে উপাধি-ভেদত যি নানাৰূপে প্ৰতীয়মান হয় দেখি মানুহে যাৰ স্বৰূপ অৱধাৰণ কৰোঁতে ভ্ৰমত পৰে, কিন্তু যি নিজৰ তেজৰ প্ৰভাৱেৰেই সেই ভ্ৰম নাশ কৰে; সেই সত্য স্বৰূপ পৰমেশ্বৰক ধ্যান কৰোঁ।

ব্যাসদেৱে ওঠৰ পুৰাণ ৰচনা কৰিলে; ওঠৰটা point of view ৰে অৰ্থাৎ ওঠৰ কালৰপৰা জীৱাত্মা পৰমাত্মাৰ সম্বন্ধত সৃষ্টিৰ কেনে আধ্যাত্মিক আৰু আধি-ভৌতিক বিকাশ তাক সমাধি, সাধনা আৰু অনুভূতি আদিৰে প্ৰত্যক্ষ কৰি প্ৰকাশ কৰিলে; কিন্তু সেইবোৰ পৰমতত্ত্বৰ বিষয়ে তেওঁৰ খণ্ড খণ্ড বা আংশিক দৃষ্টিৰ ফল হে। তেওঁৰ conscience-এ সেইটো তেওঁক all along whisper কৰি আছিল অৰ্থাৎ তেওঁৰ হৃদয়স্থিত মনে তেওঁক তেওঁৰ প্ৰত্যেকখন পুৰাণ ৰচনাৰ সমাপ্তিৰ পিছত কৈ দিছিল, "এতিয়াও তুমি সম্পূৰ্ণকৈ ভূমানন্দৰ বিষয়ে প্ৰকাশ কৰিব পৰা নাই; তুমি তেওঁৰ সৎ অৱস্থাৰ বৰ্ণনা কৰিছা, চিৎ অৱস্থাৰ বৰ্ণনা কৰিছা, কিন্তু সকলোৰে চূড়ান্ত আৰু শ্ৰেষ্ঠ অৱস্থা "আনন্দং" সম্পূৰ্ণৰূপে বৰ্ণনা কৰিব পৰা নাই। তুমি সমাধিস্থ হৈ সম্পূৰ্ণৰূপে অনুভৱ কৰি, দিব্য চক্ষুৰে দৰ্শন কৰি সেইটো প্ৰকাশ কৰি বৰ্ণনা কৰা। পৰমেশ্বৰৰ সেইটো as pect ভাববিকাশ প্ৰকাশ কৰিব পাৰিলেহে তোমাৰ ভগৱৎ-সাধনা সিদ্ধি হব।" এইবাবেই শ্ৰীমদ্ভাগৱত ৰচনা নকৰা কাললৈকে ব্যাসৰ "উগুল-থুগুল মন নাহি সুখ শান্তি। নপাস্ত উপায় একো মনে গুণি গাঁথি॥" হৈ আছিল। এয়েই ব্যাসৰ চিত্তৰ অপ্ৰসন্নতাৰ মানে। তেওঁ সমাধিস্থ হৈ ভাবি, আৰু নাৰদৰ উপদেশত outline পাই তেওঁৰ flash of inspiration আহিল, তেওঁৰ চিত্তত স্ফুৰ্ত্তি হল, আৰু তেওঁ "প্ৰসন্নোজ্জলচিত্ততা" লাভ কৰিলে। আনন্দময়ৰ বৰ্ণনাৰ কথাই তেওঁ:

মনৰ আনন্দভাব জাগ্ৰত কৰি দিলে, লীলাময়ৰ আনন্দলীলা তেওঁৰ চিত্তত প্ৰতিভাত হল। এই প্ৰসন্নোজ্জ্বলচিত্ততাৰ অৱস্থাতেই মানুহ ৰসিক আৰু ভাবুক হয়; আৰু এই অৱস্থাৰ মাজেদিয়েই মানুহে বিশ্বেশ্বৰৰ বিশ্বব্যাপাৰৰ আলোচনা কৰিলে, শ্ৰীমদ্ভাগৱতত বৰ্ণিত কৃষ্ণলীলাৰ তাৎপৰ্য্য বুজিব পৰা যায়। যি ৰসিক আৰু ভাবুক হৈ ব্যাসদেৱৰ পৌৰাণিক সাধনাৰ প্ৰকৃত ৰস পান কৰি নিজক ধন্য কৰিছে, সি শ্ৰীমদ্ভাগৱতত ব্যাসদেৱৰ সেই সাধনাৰ পৰিপূৰ্ণতা দেখিছে। যেনেকৈ কোনো এজন প্ৰতিভাশালী ভাবুক কবিয়ে এটা আদৰ্শ লৈ নিজৰ দীঘল জীৱনটোত এটাৰ পিছত এটাকৈ নানা ৰকমৰ খণ্ড কবিতা ৰচনা কৰি যায়, সেই কাব্যবোৰত তেওঁৰ মনৰ আদৰ্শৰ অলপ অলপকৈ প্ৰকাশিত হৈ থাকে, কিন্তু সম্পূৰ্ণৰূপে নহয়, পিছে তেওঁৰ পৰিণত বয়সত হয়তো কোনো এটা শুভ মুহূৰ্ত্তত তেওঁৰ এটা কবিতা বা এখন কাব্যগ্ৰন্থ ওলাল, যত তেওঁৰ ক্ৰমবিকাশিত সেই আদৰ্শ সম্পূৰ্ণৰূপে দেখা দিলে, সেইদৰে ব্যাসদেৱৰ ৰচিত আগৰ পুৰাণবোৰত পৰমাত্মা পৰমব্ৰহ্মৰ বিষয়ে তেওঁৰ যিবোৰ ধাৰণা অনুভূতি আৰু দৃষ্টি সেই সেই কাল কেইডোখৰত প্ৰস্ফুটিত হৈ আহিছিল, সেই হিচাপে তেওঁৰ সেই পুৰাণবোৰ ৰচিত হৈ আহিছিল; শেহত তেওঁৰ আধ্যাত্মিক সাধনাৰ ক্ৰম বিকাশে পৰিপক্কতা আৰু সম্পূৰ্ণতা লাভ কৰিলত তেওঁ সমাধিস্থ হৈ ধ্যানযোগেৰে এই শ্ৰীমদ্ভাগৱত মহাশাস্ত্ৰ লাভ কৰিলে। আৰ্য্য সকলে প্ৰাচীন কালৰেপৰা এটা বিশেষ ভাবেৰে বিশেষ আহি আগত লৈ, বিশ্বব্যাপাৰ, সৃষ্টিতত্ত্ব, জন্ম বৃদ্ধি মৃত্যু আদি ঘটনাৰ ৰহস্য বুজিবলৈ চেষ্টা কৰি আহিছিল; জ্ঞানদৃষ্টিৰ পৰিসৰ অনুসাৰে তেওঁলোকৰ দ্বাৰাই এই পুৰাণশাস্ত্ৰবোৰ বিৰচিত হৈ আহিছিল। শেহত আৰ্য্যঋষিকুলশিৰোমণি জগৎগুৰু ব্যাসৰ সমাধি, সাধনা, সিদ্ধিৰ ফল স্বৰূপে সচ্চিদানন্দৰ গুণৰ সম্পূৰ্ণ সমাবেশ স্বৰূপে শ্ৰীমদ্ভাগৱত শাস্ত্ৰ বিৰচিত হল। কবিৰ শেহকলা সম্পূৰ্ণ আদৰ্শ প্ৰকাশক গ্ৰন্থখনি বা কাব্যটিৰ সঁচাৰ হাতত লৈ যেনেকৈ তেওঁৰ সেই আদৰ্শটিৰে আংশিক প্ৰকাশক নানা ভাৱ নানা ভঙ্গীযুক্ত আগৰ খণ্ডকাব্যবোৰৰ অন্তৰত প্ৰবেশ কৰি পিছৰ পূৰ্ণ কাব্যগ্ৰন্থখনেৰে তাৰ ঐক্য সম্পৰ্ক নিৰ্ণয় কৰিব পাৰি, ব্যাসদেৱৰ পূৰ্ণপৰিণতিৰ কালৰ শ্ৰীমদ্ভাগৱত-সঁচাৰ হাতত লৈ, উক্তি লৈ, তেওঁৰ আগৰ কালৰ ৰচিত পুৰাণবোৰেৰে সৈতে শ্ৰীমদ্ভাগৱতত প্ৰকাশিত তত্ত্বৰ সম্বন্ধ তাৎপৰ্য্য আৰু ঐক্য নিৰ্ণয় কৰিব পাৰি, আৰু সম্পূৰ্ণৰূপে ব্যাসদেৱৰ হৃদয়ত বিশ্বেশ্বৰৰ ক্ৰমবিকাশৰ সুৰ লব



পাৰি। তেতিয়া পুৰাণবোৰৰ ভিতৰৰ (Apparent) দেখোঁতে বিৰোধবোৰও নাইকিয়া হৈ আচল অন্তৰ্নিহিত সূত্ৰডালিৰ ঐক্য চকুত পৰিব। পৰমব্ৰহ্মৰ বিষয়ে, বেদৰ ঋষিসকলৰ চিত্তত বহুকাল ব্যাপী যি চিন্তা চলিছিল তাৰ ফল স্বৰূপে তেওঁলোকৰ চিত্তত প্ৰতিভাত হল যে:—পৰমব্ৰহ্ম নিৰ্গুণ, আৰু বাক্য মন ধাৰণাৰ অগোচৰ। তেওঁলোকৰ মুখৰপৰা এই কথা শুনি, সংসাৰৰ দুখ কষ্ট তাপত পৰি থকা সাধাৰণ মানুহ নিৰাশ হল; কাৰণ যদি ধৰিব চুব ভাবিব চিন্তিব নোৱাৰা এজনহে আমাৰ ঈশ্বৰ, তেন্তে আমি কাক অৱলম্বন কৰি, কাৰ আগত আমাৰ দুখ কষ্টৰ নিবেদন কৰি, কাৰপৰা সেইবোৰৰ প্ৰতিকাৰৰ আশা কৰি জীয়াই থাকিমইক? "কোহ্যেবান্যাৎ কঃ প্ৰাণ্যাৎ" কোনে শৰীৰৰ চেষ্টা কৰে, কোনে বা এনেকৈ জীয়াই থাকে? যেতে আকৌ গভীৰ চিন্তা কৰিলে, চিন্তাৰ ফলত দেখিলে যে ব্ৰহ্ম সগুণও, তেওঁ বাক্য মনৰ অতীত হলেও, সৰ্ব্বনিয়ন্তা, সৰ্ব্বশক্তিমান, "যতো বা ইমানি ভূতানি জায়ন্তে। যেন জাতানি জীৱন্তি, যৎপ্ৰয়ন্ত্যভিসংবিশন্তি।" তেওঁৰপৰা এই প্ৰাণীসকল উৎপন্ন হয়, উৎপন্ন হৈ তেওঁৰ দ্বাৰায়েই জীৱিত থাকে, আৰু তেওঁতে আকৌ প্ৰৱেশ কৰে। বেদৰ ঋষিসকলৰপৰা এই কথা আকৌ শুনি নিৰাশ হৈ থকা মানুহে আশা পালে, তেওঁলোকৰ মুখলৈ পানী আহিল; কিন্তু তেতিয়াও ক্লেশতাপক্লিষ্ট তেওঁলোকৰ মনলৈ সম্পূৰ্ণ শান্তি আৰু সুখ নাহিল। কাৰণ ঈশ্বৰ সৰ্ব্বশক্তিমান সৰ্ব্বনিয়ন্তা বুলি জানিলোঁহক হয়, কিন্তু শোকতাপজৰ্জ্জৰিত আমাৰ তাৰ দ্বাৰাই কি শোক তাপ গুচিল? যেতে চিন্তা কৰি দেখিলে;—ব্ৰহ্মৰ আৰু স্বৰূপ আছে, যিটো সকলোতকৈ শ্ৰেষ্ঠ আৰু সুন্দৰ। বেদৰ ঋষিসকলে সেইটো দেখিবলৈ পায়েই আনন্দত এটা জাপ মাৰি ভয়-বিহ্বল মানুহক কলে—

"শৃণ্বন্তু বিশ্বেঽমৃতস্য পুত্ৰা আ যে ধামানি দিব্যানি তস্থুঃ॥
বেদাহমেতং পুৰুষং মহান্তমাদিত্য বৰ্ণং তমসঃ পৰস্তাৎ।
তমেৱ বিদিত্বাতি মৃত্যুমেতি নান্যঃ পন্থা বিদ্যতেঽয়নায়॥"

অৰ্থাৎ হে দিব্যধামবাসী অমৃতৰ পুত্ৰসকল! তোমালোকে শুনা; মই তিমিৰাতীত জ্যোতিৰ্ম্ময় মহান্ পুৰুষক জানিছোঁ।—

"ভয় নাই, ব্ৰহ্ম আনন্দময়।" "আনন্দং ব্ৰহ্মণো বিদ্বান্ ন বিভেতি কদাচন।" আৰু সেই আনন্দময় ব্ৰহ্ম কেনে? তেওঁ ৰস স্বৰূপ "ৰসো বৈ সঃ। ৰসং হ্যেবায়ং লব্ধানন্দী ভৱতি।" সেই পৰমাত্মা ৰসস্বৰূপ তৃপ্তি-হেতু। সেই ৰসস্বৰূপ পৰমব্ৰহ্মক

লাভ কৰি জীৱ আনন্দিত হয়। এই সুখবৰ শুনি দুখত জৰ্জ্জৰিত আৰু নিৰাশাত তাপিত মানুহে আনন্দত নাচিবলৈ ধৰিলে। মৰুভূমি সুফলা সজলা শ্যামলা হৈ সুখেৰে বাসৰ কৰিবৰ উপযোগী হল। বেদে বাতৰি দিয়া এই আনন্দময় সগুণ লীলাময় ব্ৰহ্মৰে Concrete বৰ্ণনা শ্ৰীমদ্ভাগৱতত লিপিবদ্ধ হল। বেদৰ দ্বাৰাই প্ৰতিষ্ঠিত সৎ-চিৎ-আনন্দময় পৰব্ৰহ্মক শ্ৰীমদ্ভাগৱতে ব্যাখ্যা কৰি দেখুৱালে। এই বাবেই শ্ৰীমদ্ভাগৱত "নিগম কল্পতৰুৰ্গলিতং ফলং", এই বাবেই শ্ৰীমদ্ভাগৱত শাস্ত্ৰ বেদান্তসূত্ৰৰ ভাষ্য। প্ৰেমময় আনন্দময় ৰসময় পৰমেশ্বৰৰ আদৰ্শ প্ৰতিষ্ঠাই যদি উপনিষদৰ শেষ সিদ্ধান্ত হল, তেন্তে সেই সিদ্ধান্তক realise সত্য কৰি দেখুৱালে শ্ৰীমদ্ভাগৱত মহাশাস্ত্ৰই। উপনিষদে কৈছে —"তদেতৎ প্ৰেয়ঃ পুত্ৰাৎ প্ৰেয়োবিত্তাৎ প্ৰেয়োহন্যস্মাৎ সৰ্ব্বস্মাৎ অন্তৰতৰং যদয়মাত্মা" অৰ্থাৎ কলোতকৈ অন্তৰতম যে এই পৰমাত্মা, এওঁ পুত্ৰতকৈও প্ৰিয়, বিত্ততকৈও প্ৰিয়, আৰু আন সকলোতকৈ প্ৰিয়, তেওঁতকৈ আন্তৰিক প্ৰিয়তৰ সুহৃৎ আমাৰ আৰু কোনো নাই। "সযোঽন্যমাত্মনঃ প্ৰিয়ং ব্ৰুবাণং ব্ৰুয়াৎ প্ৰিয়ং ৰোৎস্যতীতি ঈশ্বৰোহ তথৈব স্যাৎ" অৰ্থাৎ যি পৰমাত্মাতকৈ আনক প্ৰিয় বোলে, তাক ব্ৰহ্মবাদীসকলে কয় যে তোমাৰ যি প্ৰিয় সি বিনাশ হব; বাস্তৱিক ব্ৰহ্মবাদীৰ এনেকৈ কবৰ অধিকাৰ আছে, তেওঁ যি কয় সেইটো সত্য। পুত্ৰ দাৰা ধন জন সকলো অনিত্য। এই সংসাৰত এইবোৰ প্ৰিয় বস্তুৰে সৈতে বিচ্ছেদ হবই লাগিব; কিন্তু অন্তৰতম প্ৰিয়তম পৰমাত্মাৰে সৈতে ইহকাল পৰকালত বিচ্ছেদ নাই। "আত্মানমেব প্ৰিয়মুপাসীত। সযআত্মানমেব প্ৰিয়মুপাস্তে নহাস্য প্ৰিয়ং প্ৰমায়ুকং ভৱতি।" অৰ্থাৎ পৰমাত্মাকেই প্ৰিয়ৰূপে উপাসনা কৰিবা। যি তেওঁক প্ৰিয়ৰূপে উপাসনা কৰে, তেওঁৰ প্ৰিয় কেতিয়াও মৰণশীল নহয়। এই পৰমাত্মাকে ব্ৰজৰ গোপীসকলে উপাসনা কৰিছিল; এই পৰমাত্মাৰে বাঁহীৰ ধ্বনি শুনি তেওঁলোকে মৰণশীল, বিচ্ছেদশীল পতি পুত্ৰ স্বজন ত্যাগ কৰি বৃন্দাবনচন্দ্ৰৰ ওচৰলৈ লৰি আহিছিল। এয়েই ৰাসলীলাৰ প্ৰকৃত তথ্য, প্ৰকৃত মৰ্ম্ম।

এই বাবেই গোপীসকলে শ্ৰীকৃষ্ণৰ প্ৰশ্নৰ উত্তৰ এই দৰে দিছিল—

"কহিলা যিটো কুলস্ত্ৰীৰ ধৰ্ম্ম। তোমাতে আছোক সিসব ধৰ্ম্ম॥
জগতৰে বন্ধু আত্মা তুমি। সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
তুমি আত্মা হেন জানি সম্প্ৰতি। তোমাতেসে কৰে ভকতে ৰতি॥
নাশাগে পতি পুত্ৰ দুঃখ হেতু। হয়োক প্ৰসন্ন গৰুড়কেতু॥"—"কীৰ্ত্তন।



বৃহদাৰণ্যক উপনিষদত যাজ্ঞবল্ক্য ঋষিয়ে তেওঁৰ পত্নী মৈত্ৰেয়ীক উপদেশ দিওঁতে "সহোবাচ ন বা অৰে পত্যুঃ কামায় পতিঃ প্ৰিয়ো ভৱত্যাত্মনস্তু কামায় পতিঃ প্ৰিয়ো ভৱতি" ইত্যাদি শ্লোকেৰে ইয়াকেহেই কৈছে—"হে মৈত্ৰেয়ি! পতিৰ নিমিত্তে পতিক প্ৰিয়জ্ঞানে কামনা কৰিলে পতি প্ৰিয় নহয়; কিন্তু আত্মাৰ নিমিত্তে অৰ্থাৎ আত্মাক প্ৰিয় জানি পৰমাত্মাতুষ্টিৰ নিমিত্তে পতি কৰিলেহে পতি প্ৰিয় হয়" ইত্যাদি।

পৰমাত্মাত আত্মসমৰ্পণ কৰি সৰ্ব্বতোভাৱে তেওঁক ভজিলে যে বিবাহিতা বা অবিবাহিতা তিৰুতাৰ ব্যভিচাৰ নঘটে, বৰং তেনে নকৰাটোৱেই হে ব্যভিচাৰ, আৰু পতিৰ পতি পৰমাত্মাক ভজনা কৰিলে যে নিজৰ সাংসাৰিক পতিক পৰিত্যাগ কৰা নহয়, বা গৃহকাৰ্য্য আৰু সাংসাৰিক ধৰ্ম্ম ত্যাগ নহয়, এই সত্যৰ প্ৰকৃত মৰ্ম্ম বুজাবলৈহে শ্ৰীমদ্ভাগৱতে লেখিছে যে যদিও গোপীসকলে শ্ৰীকৃষ্ণময় হৈ বৃন্দাবনত শ্ৰীকৃষ্ণৰে সৈতে ৰাসক্ৰীড়া কৰি আছিল, তেওঁলোকৰ স্বামী পুত্ৰাদিয়ে ঘৰত সেই গোটেই কালতে তেওঁলোকক নিজৰ কাষতে সকলো প্ৰকাৰ গৃহকাৰ্য্যত ৰত পাইছিল। পৰমাত্মা spirt-এৰে সৈতে ৰমণ তেওঁলোকে spirtual শৰীৰেৰে হে কৰিছিল, কাৰণ পৰমাত্মা sprit, জড়ে sprit-এৰে মিলিব নোৱাৰে।

"মোহিলা গোপক কৃষ্ণৰ মায়া। কাষতে আছে দেখে নিজ জায়া॥
নকৰে অসূয়া কৃষ্ণক কেৱ। জগতঈশ হেন কৃষ্ণদেৱ॥"
"ভকতৰ পদে আপুনি হৰি। ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি॥"

কীৰ্ত্তন।

"অনুগ্ৰহায় ভক্তানাং মানুষংদেহমাশ্ৰিতঃ।
ভজতে তাদৃশীঃ ক্ৰীড়া যাঃ শ্ৰুত্বা তৎপৰো ভৱেৎ॥" শ্ৰীমদ্ভাগৱত।

শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত কৃষ্ণভক্তিমূলক বৈষ্ণৱধৰ্ম্ম কি পদাৰ্থ, শ্ৰীকৃষ্ণৰ সম্পৰ্কে সেই ধৰ্ম্মৰ কি ধাৰণা, সেই কথাৰ প্ৰকৃত মৰ্ম্ম বুজিব খুজিলে শ্ৰীমদ্ভাগৱতৰ কি মত, আৰু শ্ৰীমদ্ভাগৱতৰ অমৃত ভাণ্ডাৰপৰা আনি কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী আদি শাস্ত্ৰৰ মৌ-কোহত দুইজনা গুৰুৱে কি মৌ সংগ্ৰহ কৰিছে, তাৰ সন্ধান লব লাগিব। মহাপুৰুষৰ সম্প্ৰদায়ভুক্ত বা তেওঁলোকৰ প্ৰতিষ্ঠিত প্ৰধান অন্তৰ্গত দুশন-চাৰিশন, দহজন-হেজাৰজন, আন কি লক্ষজনৰ ধাৰণা আৰু আচৰণ দেখি তাকে মহাপুৰুষ

প্ৰচাৰিত ধৰ্ম্মৰ প্ৰকৃত মত বুলি ভাবিলে ভুলৰ হাত যে সাৰিব পাৰি এনে নহয়। কোনো এটা সম্প্ৰদায়ৰ ভিতৰত নানাপ্ৰকাৰ মানুহ আছে; সেইসকলৰ ভিতৰত যে কোনোৱে কৃষ্ণক এজন পৰিমিত মানুহ বুলি মনতে ধাৰণা কৰি লোৱা নাই, আৰু সেইভাবে তেওঁক পূজা নাই, এনে নহয়। শ্ৰীকৃষ্ণৰ সম্বন্ধে প্ৰকৃততত্ব জানিবলৈ হলে শ্ৰীমদ্ভাগৱতৰ আশ্ৰয় লবই লাগিব, কাৰণ শ্ৰীমদ্ভাগৱততেই শ্ৰীকৃষ্ণৰ সম্বন্ধে সকলো কথা বিশদভাৱে কোৱা হৈছে। আৰু আশ্ৰয় লব লাগিব—প্ৰকৃত ভক্ত সদ্‌গুৰুৰ। তেনে লোকে শাস্ত্ৰৰ আচল তাৎপৰ্য্য বুজাত সহায় কৰি, তত্বান্বেষীক আচল বাটত পেলাই দিয়ে।

শ্ৰীশঙ্কৰদেৱৰ উপাস্য যি শ্ৰীকৃষ্ণ তেওঁ ইন্দ্ৰিয়গ্ৰাহ্য নে? দেহধাৰী মানুহৰ নিচিনা তেওঁ ভৌতিক নশ্বৰ দেহবিশিষ্ট নে? শ্ৰীমদ্ভাগৱতৰ দশমস্কন্ধত এনে অনেক শ্লোক আছে, যত শ্ৰীকৃষ্ণক এনেজন বুলিছে যাৰ অন্তৰ নাই, বাহিৰ নাই, পূৰ্ব্ব নাই পৰ নাই, যি স্বয়ং জগতৰ পূৰ্ব্বাপৰ, অন্তৰ-বাহিৰ, নিজেই জগতৰ স্বৰূপ।

"নচান্তন বহিৰ্যস্য ন পূৰ্ব্বং নাপি চাপৰং।
পূৰ্ব্বাপৰং বহিশ্চান্তৰ্জগতো যোজগচ্চ যঃ॥
তং মত্বাত্মজমব্যক্তং মৰ্ত্তালিঙ্গমধোক্ষজম্।
গোপিকোলূখলে দাম্না ববন্ধ প্ৰাকৃতং যথা॥ ১০ম,স্কন্ধ,৯ম অধ্যায়।

"নাহি আদিঅন্ত পূৰ্ব্বাপৰ। পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ॥
তাহাক তনয় মানি বলে। যশোদা বান্ধন্ত উদূখলে॥" শঙ্কৰদেৱ।
"যিটো ব্ৰহ্ম নোহে তৰ্ক-গোচৰ। নপাৰে বচনে মনে ওচৰ॥
নাহি উতপতি নাহি মৰণ। সদায়ে প্ৰণামো তান চৰণ॥"
"ব্ৰহ্মায়ো নাজানে যাৰ মহিমা। চাৰিবেদে কহি নাপাৱে সীমা॥
হেন মাধৱক তনয় পাইল। যশোদা নন্দে কিনো তপসাইল॥
সুনন্দ আদি যত যোগীগণ। চিন্তিও নেদেখে যাৰ চৰণ॥
হেন পৰমব্ৰহ্ম যশোদাসুত। ভৈলন্ত কিনো আতি অদভুত॥"
"বাপো বেস্ত বেৰে মাটি নখাইলি। শুনিয়া শিশুৰূপ বনমালী॥
চোৰা মুখ বুলি মাৱক মাতি। বাইলন্ত বেস্ত প্ৰকাশিয়া অতি॥
যশোদা সুন্দৰী দেখন্ত পাছে। সমস্ত জগত গৰ্ভতে আছে॥



সাতোখান দ্বীপ সাতো সাগৰ। গিৰি বন নদী গ্ৰাম নগৰ॥
বায়ু সূৰ্য্য শশী দিশ আকাশ। তাৰাগণ তৈতে কৰে প্ৰকাশ॥
সমস্ত জীৱ জ্যোতিস্তেজ বল। সত্বৰজতম ইন্দ্ৰিয় বল॥
মন বুদ্ধি কাল কৰ্ম্ম যতেক। সবাকো গৰ্ভতে দেখে প্ৰত্যেক॥

• • • •

সুহিকস্ত মোৰ পুত্ৰ মানুষ। এহেন্তেসে বিষ্ণু আদি পুৰুষ॥"

শঙ্কৰদেৱ।

দশমস্কন্ধৰ এয়োদশ চতুৰ্দ্দশ অধ্যায়ৰ ব্ৰহ্মমোহন ঘটনাত এনে শ্লোক ভূৰি ভূৰি। প্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত শ্ৰীযুক্ত ব্ৰজেন্দ্ৰনাথ শীলে খৃষ্টানধৰ্ম্ম আৰু বৈষ্ণৱধৰ্ম্মৰ তুলনা কৰি আলোচনা কৰা প্ৰবন্ধ এটাৰপৰা আমাৰচেৰেক এই থিনিতে তুলি দিওঁ:—

"The following points may be noted—(1) that the Lord's Incarnation is real, but supernatural (দিব্য) and enternal (নিত্য), (2) the body is incorruptible and non-natural, not the natural gross body of men, that the body has an intelligent essence, is only concrete bliss and intelligence."

ভাগৱতৰ কৃষ্ণলীলা এটা মস্ত কৰিৰ কল্পনা বুলি যাৰ বিশ্বাস আছে, তেওঁক আমাৰ বিশেষ কবলৈ একো নাই। কিন্তু প্ৰকৃত বৈদান্তিক বা অধ্যাত্মবাদীয়ে তেনেকৈ কবলৈ কেতিয়াও সাহ নকৰে; কাৰণ তেওঁ জানে যে যাক প্ৰত্যক্ষবাদী বা জড়বাদীয়ে কবিৰ কল্পনা বোলে, অনেক সময়ত সিয়েই নিত্য বস্তু পৰমাত্মাৰ প্ৰতিবিম্ব বা প্ৰকাশ মাথোন।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

## শুধৰণী।

গত বাৰৰ বাঁহীত ( অষ্টম বছৰৰ, অষ্টম সংখ্যা ) বেহাগ ৰাগিণীৰ গানত অনেক ছপাৰ ভুল আছে। যথা :— ১ম শাৰীৰ ৪ৰ্থ ভাগ ও ১ম তালৰ "সা । ।" স্থানত
থা ও ক

"র্সা । ।" হব। ৪ৰ্থ শাৰীৰ ১ম ভাগ আৰু ২য় তালৰ, "ধা । না" স্থানত
থা ও ক ... তা ৰ অ

"ধা । না" হব। অন্তৰাৰ ১ম শাৰীৰ ৪ৰ্থ ভাগ আৰু ১ম তালৰ, "সা । র্সা"
তা ৰ অ ... বী ॰ ণ

স্থানত "র্সা । র্সা হব। ২য় শাৰীত ৩য় ভাগ আৰু ফাঁকৰ "ৰা র্সা না" স্থানত
বী ॰ ণ ... সু ॰ ৰ

"র্ৰা র্সা না" হব লাগে। ৪ৰ্থ শাৰীৰ ৩য় ভাগ আৰু ফাঁকৰ "ৰা সনধনা ৰা"
সু ॰ ৰ ... খো পা॰॰॰ ত

স্থানত "ৰা সন্ধনা ৰা" হব লাগে।
খো পা॰॰॰ ত

শ্ৰীঅৰুণা দেবী।

---

## আকাৰমাত্ৰিক স্বৰলিপি-পদ্ধতিৰ সংক্ষেপ ব্যাখ্যা।

১। স ৰ গ ম প ধ ন = সপ্তক। খাদ সপ্তকৰ চিন, সুৰৰ তলত হসন্ত, আৰু উচ্চ সপ্তকৰ চিন, সুৰৰ মুৰত ৰেফ্।

২। কোমল ৰ = ঋ; কোমল গ = জ্ঞ; কড়ি ম = হ্ম; কোমল ধ = দ; কোমল ন = ণ।

৩। তাল বিভাগৰ চিন, কাষত এটা দাঁড়ি। ১, ২, ৩, ॰ ইত্যাদি তালি আৰু ফাঁকৰ অঙ্ক। যি অক্ষৰ মূৰত ৰেফ্ সেয়েই সম।

৪। তালৰ এবাৰ হৈ গলে দাঁড়িৰ ঠাইত "আই" এই ইংৰাজী আখৰটো বহে; আৰম্ভ আৰু শেহত দুটা "আই" বহে।

৫। একমাত্ৰা = ।। আধমাত্ৰা = :। দুটা আধমাত্ৰা, যেনে 'সৰা'। চাৰিটি সিকিমাত্ৰা, যেনে "সৰগমা"। দুটি সিকি মাত্ৰা, যেনে সৰঃ। এটি আধমাত্ৰা আৰু



দুট সিকিমাত্ৰা মিলি একমাত্ৰা, যেনে স গৰঃ। এটি ডেৰমাত্ৰা আৰু আধমাত্ৰা মিলি দুই মাত্ৰা, যেনে ৰাঃ গঃ।

৬। কোনো আচল সুৰৰ আগত যদি কোনো নিমেষকাল স্থায়ী আনুসঙ্গিক সুৰে অলপ ছুই যায় মাথোন, তেনে হলে সেই সুৰটি সৰু আখৰেৰে বাওঁফালে লিখা হয়। যেনে, সৰা—ˢৰা। গমকৰ ঠাইত প্ৰায়ে এইদৰে স্পৰ্শমাত্ৰিক সুৰ লাগি থাকে। আসল সুৰৰ পিছত কেতিয়াবা কেতিয়াবা আন সুৰৰ ঈষৎ বেশ লাগে; তেতিয়া সেই সুৰ সৰু আখৰেৰে সোঁফালে লেখা হয়, যেনে ৰাস।

৭। বিৰামৰ চিন আৰু মাত্ৰাবোৰৰ চিন একেই। হাইফেন বৰ্জ্জিত হলে আৰু স্বৰাক্ষৰৰ গাত সংলগ্ন নাথাকিলে সেই মাত্ৰা বিৰামৰ মাত্ৰা বুলি জানিবা। সুৰৰ কম্পেকায়া নিস্তব্ধতাক বিৰাম বোলে।

৮। অৱসানৰ চিন, মুৰৰ ওপৰত দুই দাঁড়ি। হয় এই খিনিত এবাৰ ৰখা, নহয় এই খিনিত বৈ গানৰ আন কলি ধৰা।

৯। পুনৰাবৃত্তি অৰ্থাৎ আস্থায়ীত প্ৰত্যাবৰ্ত্তনৰ চিন স্বৰূপে দুটা "আই" বহে। কোনো কলিৰ শেহত II এই দুই "আই" দেখিলেই আস্থায়ীৰ যত এই দুই আই আছে তাৰেপৰা আকৌ আৰম্ভ কৰিবা।

১০। পুনৰুক্তিৰ চিন, এই { } গুম্ফ বন্ধনী; আৰু পুনৰুক্তিৰ সময়ত কিছুমান সুৰ বাদ দি যাবৰ চিন, এই ( ) বক্ৰ বন্ধনী, যেনে { সা ৰা গা ( মা পা ) ধা না }


১১। পুনৰাবৃত্তি আৰু পুনৰুক্তিৰ সময়ত কোনো সুৰৰ সলনি হলে, মুৰৰ
[ ৰা গা মা ]
ওপৰত ব্ৰেকেটৰ ভিতৰত পৰিবৰ্ত্তিত সুৰবোৰ স্থাপিত হয়। যেনে সা ৰা গা।

---

# ব্রহ্মপুত্র সঙ্গীত

কথা [ বুক ... ] [স্বরলিপি শ্রীমতী অরুণা ...।

বাউলের সুর—একতালা।







# সম্পাদকলৈ নিবেদন।

জেঠৰ বাঁহীত ধৰ্ম্মসম্বন্ধে যি গোটাচেৰেক কথা কোৱা হৈছিল, তাক আমি খৰিয়াল কৰিবৰ অভিপ্ৰায়েৰে কোৱা নাছিলোঁ। গাৰ্বলীয়া ভকতে কয়—

ভকতৰ বৃক্ষ।
ভতবাৰ বৃক্ষ॥

কোনোলোক যদি বন্ধু, বান্ধৱ, সমাজৰ আগত ধৰ্ম্মোপদেশ দিবলৈ থিয় হয়, তেনেহলে বুজিব নোৱৰা কথা তেওঁক সুধি সংশয় গুচাবলৈ চেষ্টা কৰা, স্বাভাবিক নিয়ম, তাত আমনি পাই সময় নাই বোলাতকৈ থিয় নোহোৱাই ভাল হবলা? আ ৰে কথাৰ উত্তৰত তেওঁ যি যি কৈছে তাৰ প্ৰত্যেকটোৰ প্ৰত্যুত্তৰ দি দেখালিবলৈ ঠাই আছে, অনৰ্থক তাতে দুকটি আৰু সময় নষ্ট নকৰোঁ। যাৰ চিত্ত যিমান সৰস তাৰ অন্তৰত তিমানেই আত্মপ্ৰকাশ আৰু তদনুৰূপ জ্ঞান জ্যোতিও বিকশিত হয়। কিন্তু শৰণ সম্বন্ধে ধৰ্ম্মত চিত্তনিবিষ্ট চিন্তাশীল পাঠক সকলৰ বিচাৰৰ কাৰণে অলপ নকৈ নোৱাৰিলোঁ -

সম্পাদক ডাঙৰীয়াই লেখিছে—"শৰণৰ বিষয়ে তেওঁৰ ভ্ৰম বিস্তৰ"। আমি কিন্তু পূৰ্ব্বেই কৈ আহিছোঁ ভ্ৰম নেলাগে বোলেই মনা নই। আৰু সেই বোধ শক্তৰ আশাৰেহে সোধাও হৈছিল; কিন্তু দুৰ্ভাগ্যবশত পূৰ্ব্বে যি তিমিৰত আছিলোঁ এতিয়াও সেই তিমিৰতেই, কাৰণ তেওঁ কৈছে "শৰণৰ প্ৰথম মধ্যম শেষ নাই।" পৰমেশ্বৰত বাজে সকলো বস্তুৰে আদি অন্ত আছে। ভাগৱতে শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, বন্দন, পদনিসেৱন; দাস্য, সখিত্ব, শৰণ এই নৱ বিধ ভক্তি বুলিছে, শৰণ ভক্তিৰ এটা অঙ্গ। এই ভক্তিৰো আদি দেখিবলৈ পোৱা যায়। প্ৰথমং শ্ৰদ্ধাততোৰতিততোভক্তি অনুক্ৰমিষ্যতি। যদি ভক্তিৰে আদি অন্ত ওলাল, তাৰ এটা অংগৰ নাইনে? শঙ্কৰদেৱে কৈছে—

মহন্তৰ মুখে কথা শুনে প্ৰথমত।
যেবেসে পুৰুষে পায় ভকতিৰ তত্ত্ব॥

ইয়াৰ দ্বাৰাই নৱবিধ ভক্তিৰ শ্ৰৱণকে প্ৰথম বুলি বুজা নেযায়নে? যদি শ্ৰৱণ প্ৰথম হয়, শৰণ নৱম বা শেষ থাপ নহব কিয়? বিশেষতঃ শ্ৰৱণৰ দ্বাৰাই ভক্তিৰ তত্ত্ব পাই ভজনা কৰি ক্ৰমে যিমান ওপৰ চাপে সিমান ঈশ্বৰ জ্ঞানলাভ হয়।



শ্ৰৱণ থাপত উঠি ভক্তিৰ তত্ত্ব নোপাওতেই কিদৰে শৰণ হব পাৰে? এটা মানুহৰ সম্বন্ধে বিশেষ জ্ঞান নজন্মাকৈয়ে তাক কোনোবাই বিশ্বাস বা তাৰ ওপৰত নিৰ্ভৰ কৰিব পাৰেনে বা কৰেনে? যদি কয় ঈশ্বৰ জ্ঞান নো কাৰ নাই? তাৰ উত্তৰত আমি কওঁ ঈশ্বৰ জ্ঞান তো দূৰৰ কথা প্ৰায় মানুহৰে তো আত্মজ্ঞানেই নাই, কিয়নো মানুহে কাক যে মই বোলে তাৰে নিশ্চয়তা নাই। মই বুঢ়া, মই ডেকা, মই ক্ষীণ বুলি যেতিয়া কয় বা ভাবে তেতিয়া দেহকে মই বোলে। আকৌ যেতিয়া মই কণা, মই কলা, মই খোৰা বুলি কয় তেতিয়া ইন্দ্ৰিয়তে অহং জ্ঞান জন্মে। এতেকেই দেখা যায় আত্মজ্ঞানেই নাই।

"শৰণ মানে ঈশ্বৰত নিজক সম্পূৰ্ণৰূপে নিবেদন resignation; লৰাই উপজিয়েই যেনেকৈ মাকৰ শৰণ লৈ নিশ্চিন্ত হয়।"

বেছ কথা, আমিও তো শৰণৰ অৰ্থ অন্যৰকম বুজা নাছিলোঁ হব পায়? সিবাৰতেই ৰত্নাৱলীৰ পদ তুলি দি কোৱা হৈছিল - গৰু বেছা গৃহস্থই বেছা দিনৰপৰা সেই গৰু প্ৰতিপাল কৰিবলৈ যেনেকৈ আৰু একো চেষ্টা নকৰি নিশ্চিন্ত থাকে সেই দৰে ঈশ্বৰত শৰণ লোৱাজনো নিশ্চিন্ত হয়। ফোট মালা পিন্ধি ছুৰি ছুৰি বুলি তিনটামান জাপ মাৰি, মুহমে বান, বগলমে ইট্‌ লোৱাজনকে মানুহে ভকত বুলি ভ্ৰমত পৰে বুলি মাধৱদেৱ পুৰুষে লেখি থৈ গৈছে—

"নোহে চিত্ত দ্ৰৱ যাৰ শৰীৰ পুলক।
যাহাৰ নেত্ৰৰ নাহি আনন্দ লোটক॥
তবে কেন মতে তাৰ লক্ষিবা ভকতি।"

এই পদকেকাকিয়ে যেনেকৈ ভকতক চিনাই দিলে, পূৰ্ব্বে কোৱা গৰু বেছা গৃহস্থৰ লক্ষণে এই দৰে শৰণ ঘটা লোকক চিনাই দিয়ে।

"সেই শৰণ তেওঁ বুঢ়া কালত লবলৈ বা ব্যৱহাৰ কৰিবলৈ থৈছে নে কি?" ইয়াৰ উত্তৰত আমি কওঁ যে এই বুঢ়াকাল নেলাগে আন জনমৰ বুঢ়া কালতো যদি আমাৰ প্ৰকৃত শৰণ ঘটে তেনেহলেও মঙ্গলৰ কথা, দয়াময়ে দয়া কৰি তাকে ঘটায় নঘটায় তেওঁহে জানে। আমি ভগৱন্তৰ কৃপাত শৰণ ঘটা লোক ২।৪জন দেখিছোঁ, ঠিক কেচুৱাই মাকত শৰণ লৈ যেনেকৈ নিশ্চিন্ত থাকে সেইৰূপে সকলো বিষয়ে নিশ্চিন্ত। এটা কথা মনত পৰিল, নকৈ নোৱাৰিলোঁ :—এবাৰ কোনো পৰ্ব্ব উপলক্ষে কিছুমান মানুহক খুওৱা হৈছিল; এই দেশৰ এজনী বুঢ়ী

ভকতনী, আমাৰ লগত আছিল ; মানুহবিলাক পাইৰহি উঠি গলত ভকতনীয়ে কলে, সকলোৱে ভ লকৈয়ে গালে এজন মানুহে খুঠে নেপালে, আমাৰ গৃহিণীয়ে সুধিলে—সেই মানুহজন খাবৰ সময়ত অহা নাছিল নে ? ভকতনী—আহিছিল, তেওঁ ভাগো পাইছিল ।

গৃহিণী পাছে নেখালে নো কিয় ? ভকতনী—তেওঁ নিষ্কামী ভকত, সকামী মানুহৰ লগত দিলাত নেখালে ।

গৃহিণী তেওঁনো কৰ মানুহ, থাকে কত, ইয়ালৈ আহিছিল কিয় ?

ভকতনী—আমাৰ গাৰ্দ্দৰ, বাগিচাতে আছেহি, আজি ১॥ মাহমান হল ।

গৃহিণী—কিনো কৰে বাগিছাত থাকি ?

ভকতনী—কুলি কাম কৰে ।

গৃহিণী—তুমি দেখো কলা নিষ্কামী ভকত । যাৰ কোনো ৰকম কামনাই নাই তেওঁকহে নিষ্কামী বোলে ; এওঁৰ তো লৰা তিৰুতা পুহিবলৈ, ধন অৰ্জ্জি লৈ এইবোৰ কামনা আছে ।

ভকতনী—ও— আই তেওঁ ভকত সেই গুণে নিষ্কামী বুলিছোঁ ।

এতিয়া আমাৰ শৰণ কথাটোও ঠিক সেইদৰেই হৈছে । শৰণ অদিতো মধ্যাতো অহ্যাতো, কেৱল নিজৰ পেট পুহিবলৈ, লৰ তিৰুতাক সুখেৰে ৰাখি প্ৰতিপাল কৰিবলৈ নানা উপায়ে ধন আৰ্জনৰ চেষ্টা কৰে, নিজৰ বা পৰিয়ালৰ ভিতৰত কাৰো বেমাৰ-আজাৰ হলে কলো-কপৌকৈ ডাক্তৰ কৰিবাক বিচাৰে, এই দৰে প্ৰতি কথাতেই প্ৰতি কামতেই যাৰ নিজৰ চেষ্টা তাৰ আকৌ লৰাৰ দৰে মাকত নিৰ্ভৰতাৰ নিচিনাকৈ ঈশ্বৰ নিশ্চিন্ত শৰণ এনে শৰণৰ মূল্য value কি ? আমি এনে শৰণ নেমানো । এই শৰণ ঠিক বৰ্ত্তমান ব্ৰাহ্মৰ ব্ৰহ্মজ্ঞানৰ দৰে । "পৰমাত্মাই যি কথা হৃদয়ত সুচাই দিয়ে" সেই কথা জ্ঞান বিজ্ঞানপূৰ্ণ, অভ্ৰান্ত, সাক্ষাৎ বেদস্বৰূপ, তাক শুনা মাত্ৰই মানুহৰ ভ্ৰম সংশয় দূৰ হয় । প্ৰাণ ধৰ্ম্ম ঢালি দিব পাৰিলেই পৰমাত্মাৰ বাক্য আকাশীবাণী শুনিবলৈ পোৱা যায়, নিৰ্ম্মল হৃদয়ৰ লোকে জীৱনত ২।৪ বাৰ হে এনে বাণী শুনিবলৈ পায় কিন্তু অহঙ্কাৰী লোকসকলে প্ৰয়োজনানুসাৰে প্ৰায় শুনে । শাস্ত্ৰাদি আলোড়নৰ দ্বাৰাই যি সিদ্ধান্ত নিৰ্ণীত জ্ঞান জন্মে সি কৰ্ষিত ধৰ্ম্মৰ ফল, তাত ভুল ভ্ৰান্তি বিৰোধৰ সম্ভাবনা ।



শেষত মিনতিৰে জনাওঁ, সম্পাদক ডাঙৰীয়াৰ লগত আমাৰ একো ঈৰ্ষাভাব বা বিৰোধ নাই । দেশৰ উন্নতিৰ আশ ভৰসাৰ স্থল শিক্ষিত ডেকাসকলক হিন্দুধৰ্ম্মৰ তাৎপৰ্য্য জনোৱা যেনে তেওঁৰ, আমাৰো তেনে উদ্দেশ্য । আমি আগেয়ে নিয়মমতে বাঁহী পঢ়া নাছিলো, এ বাৰ গ্ৰাহক হৈ ছমাহৰ বাঁহী পঢ়ি দেখিলো স্থল বিশেষে মহামহিমাময় ত্ৰিকালজ্ঞ ঋষিসকলকো ঠেলি থৈ নিজৰ অনুমান আক গাৰ বলেৰে একোটা কথা কয়, তাৰ দ্বাৰাই কাৰো ভ্ৰম জন্মিব পাৰে এই ভয়তেহে কলম ধৰিলো, নতু আজি ২৭ বছৰৰ ওপৰ হল, কাৰো লগত ধৰ্ম্ম সম্বন্ধে তৰ্ক বিতৰ্ক নকৰো । বৰ্ত্তমানৰ degenerated ধৰ্ম্মবিলাকৰ মূল ছেদি পূৰ্ণ অমৃতময় ধৰ্ম্মৰে ভাৰতক বা পৃথিৱীক নৱজীৱন দান কৰিবলৈ যি অনন্ত শক্তিশালী প্ৰজ্ঞানময় পৰম পুৰুষ আগতপ্ৰায় তেওঁলৈকে তাপ মাৰি বাট চাই আছোঁ ।

শ্ৰীগুণাভিৰাম বৈশ্য ।

---

## সম্পাদকৰ প্ৰত্যুত্তৰ ।

বৈশ্য মহাশয়ে যিয়াংকে আমাৰে সৈতে তেওঁৰ পৰিয়াল-বিহীন অভিপ্ৰায়ৰ জানকা দিয়ক আৰু আকৰাৰ ভাও ধৰক, কিন্তু তেওঁৰ সৰহভাগ কথাতে যে তাৰ ওলোটা টা কুট ওলাব খোজে সেইটো তেওঁৰ প্ৰবন্ধ পঢ়োতাসকলৰ চকুত নপৰি নাথাকে । তেওঁৰ মুখৰ কথাকে আমিও ব্যৱহাৰ কৰি কওঁ যে তেওঁ নিজক ভকত পাতি পৰমাৰ্থৰ বুজ লবলৈ যোৱা বুলি কলেও যে বাস্তৱিকতে তেওঁ ভতৰাৰ বুজ চে যে পাতি লব খুজিছে সেইটোৰ গম ওলাই পৰিছে । আমি লোকক ধৰ্ম্মোপদেশ দিবলৈ থিয় হৈ, অথচ তেওঁৰে সৈতে ধৰ্ম্মৰ যুদ্ধত লিপ্ত পা তবলৈ পিছ হুহকিছো বুলি তেওঁ যি সূচা চে, সেইটো নহয় বুলি তেওঁক আৰু নকওঁ, কাৰণ তেওঁ পোন বাটে কথাৰ অৰ্থ নুবুজে, আওপাকেহে বুজে বুলি আমি এতিয়া বুজিছো ।

ন বিধ ভক্তৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তন নিবহ-নিখানীকৈ মাথোন প্ৰথম হে, দ্বিতীয় তৃতীয় চতুৰ্থ, পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম, নৱম শ্ৰেণীৰ ওপ পাপৰ নামঘৰ বোৰত, এই যুগল "শিশু শিক্ষা প্ৰথম পাঠ" পঢ়োতাৰ "প্ৰবেশ নিষেধ" আৰু

এটা-এটাকৈ প্ৰত্যেকটো ভক্তিত পকি জাতত উঠি উঠি গৈ হে নিটোনৈ যাব পাই বা পাৰি, তেওঁৰ যে এইফেৰা মত, তেওঁ সেই ফেৰাকে লৈ চলক, তাত আমি আপত্তি নকৰোঁ, কাৰণ কৰিলে তেওঁ শুশুনে। তেওঁ তেওঁৰ এই জীৱনৰ এডোখৰ কালত পূজন কৰক, তাত পকি অৰ্চ্চন, আৰু তাত পকি আৰু সেই দৰে ধাপে ধাপে পকি গৈ গৈ, এই জন্মত যদি সময়ে নাটে, সিজন্মত শৰণত পকক গৈ, তাতো আমাৰ আপত্তি নচলে। কিন্তু অনুগ্ৰহকৈ, তেওঁ যেন স্মৰণ কৰোঁতে পূজনৰ ভাব, পূজন কৰোঁতে অৰ্চ্চনৰ ধাপৰ ভাব, আৰু বন্দন কৰোঁতে পদসেৱনৰ ধাপৰ ভাবত তেওঁৰ মন-ভৰি নিদিয়ে, তাৰৈ চকু ৰাখি যাব, এই ফেৰাই তেওঁৰ ওচৰত আমাৰো নিবেদন বল।

শ্ৰৱণ নিশ্চয় প্ৰথম আৰু কীৰ্ত্তন দ্বিতীয়, কাৰণ প্ৰথমতে কাণেৰে শুনি নিশিকিলে ভকতে কি কীৰ্ত্তন কৰিব? কিন্তু বৈষ্ণ মহাশয়ে বা তেওঁ দেখা শেহৰ ধাপৰ প্ৰকৃত শৰণ যটা দ্বাকো যেন তেওঁ প্ৰথম ধাপৰ হৰি কথা শ্ৰৱণত আৰু দ্বিতীয় ধাপৰ কীৰ্ত্তনত নিমগন নাপায় ইয়ালৈকো তেওঁ চকু ৰাখি যায়, আমাৰ এই নিবেদনফেৰিও তেওঁৰ ওচৰত ৰৈ গল। নৱম ধাপত উত্তীৰ্ণ হোৱা সনক সনাতন আদিয়েও যে ঈশ্বৰৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তন শুনিবলৈ বিচাৰি ফুৰে, আৰু নাৰদে মুক্ত অৱস্থাটো বণ বাই হৰিগুণ গান কৰি ফুৰে বুলি শাস্ত্ৰত কৈছে, সেইটোও তেওঁলোকে degraded অৰ্থাৎ তলৰ জাতলৈ নামি কৰিছিল বা কৰে বুলি তেওঁ ধাৰণা কৰি লওক আমি আৰু একো নামাতিব খুজিছোঁ।

"একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ গাৱে
সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথায়॥"

"কৃতে যদ্ধ্যায়তে বিষ্ণুং ত্ৰেতায়াং যজতো মখৈঃ।
দ্বাপৰে পৰিচৰ্য্যায়াং কলৌ তদ্ধৰি কীৰ্ত্তনাৎ॥"

এইবোৰ কথাও আমি লেখকৰ পাটিৰত দলিয়াই পেলাই, তেওঁ আগৰ প্ৰবন্ধত লেখা—"এই বিষ্ণুভক্তিহীন দেশত শ্ৰীশঙ্কৰদেৱে ভক্তিৰ প্ৰথম শিক্ষা দিছিল মাথোন, কাজেই প্ৰাথমিক শিক্ষাৰ্থৰ পক্ষে শ্ৰৱণ কীৰ্ত্তনৰ বাহিৰে কি ওৰ ধাপৰ অৰ্চ্চন বন্দনৰ উপদেশ প্ৰয়োজন হব পাৰে?" এই কথা স্বীকাৰ কৰি লবলৈ যদি তেওঁ কয়, তেন্তে আমি আৰো গাৰ বল প্ৰকাশ কৰি কবই লাগিব যে আমি নোৱাৰোঁ। লেখকে বহুাৱলী ঘাটিছে দেখিছোঁ; কিন্তু তাত তেওঁ, ন বিধ ভক্তিৰ ভিতৰত কলিকালৰ উপযোগী আৰু কলিকালৰ পক্ষে শ্ৰেষ্ঠ শ্ৰৱণ কীৰ্ত্তন, এই কথা বিচাৰি পোৱা নাই হবলা? তেওঁ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ ৰচিত শাস্ত্ৰৰ প্ৰমাণ উদ্ধাৰ কৰিছে, এতেকে তেওঁ তেওঁলোকৰ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰণালীৰ প্ৰতি শ্ৰদ্ধাবান আৰু তেওঁলোকৰ authority মানে যেন আমি দেখিছোঁ; এতেকে তেওঁক সোধোঁ, দুইজনা গুৰুৱে প্ৰথমতে শিষ্যক শৰণ দিয়া নিয়ম চলোৱাটোৰ ভু তেওঁ নাপায় নে? নাই তেওঁলোকৰ সেইটো ভুলেই? ভুল বুলি লেখকে কলে ভালেই হয়। কাৰণ তেওঁ "আজি ২১ বছৰৰ ওপৰ হল, কাৰো লগত ধৰ্ম্ম সম্বন্ধে তৰ্কবিতৰ্ক নকৰি, বৰ্ত্তমানৰ degenerated ধৰ্ম্মবিলাকৰ মূল ছেদি (আশা কৰোঁ তেওঁ তন্ত্ৰোক্ত ধৰ্ম্মৰ মূল নেছেদে) পূৰ্ণ অমৃতময় ধৰ্ম্মেৰে ভাৰতক বা পৃথিৱীক নৱজীৱন দান কৰিবলৈ যি অনন্ত শক্তিশালী পৰমপুৰুষ আগতপ্ৰায় তেওঁলৈকে তাপ মাৰি বাট চাই থাকি" সেই ভুল কিজানি জানিব পাৰিছে।

"হৰিনাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি॥"

"হৰিত শৰণ লৈয়া যিটো জনে এ,
হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ,
সিটো মহাজনে অতি অপ্ৰয়াসে তৰে॥"

মহাপুৰুষ মাধৱদেৱে যে এই ঘোৰাকে ফাকিলেখিলে তাত প্ৰথমতে হৰিত শৰণ লৈ তাৰ পিছত কীৰ্ত্তন কৰিবলৈ ব্যৱস্থা দি কি ভুলকে কৰিলে! তেওঁলোকে এনেবোৰ ভুলকে পাচীয়ে পাচীয়ে কৰি গল, সেই ভুল ব্যৱস্থাবোৰত চলি যে ধৰ্ম্মৰ গ্লানি হৈছে, আৰু ফলস্বৰূপে দেশ গোটেইখন পাষণ্ডেৰে ভৰিছে, সেই পাষণ্ড নিধন কৰি দেশত "নৱজীৱন দান কৰিবলৈ যি পৰম পুৰুষ আগতপ্ৰায়" আৰু যিটোৰ খবৰ জানি লেখকে "আজি ২১ বছৰ তাপ মাৰি বাট চাই আছে" সেইটো হলেই সত্যযুগ প্ৰবৰ্ত্তিব আৰু লেখকে নিশ্চিন্ত মনে তেওঁৰ দায়িত্বৰ

তাৰ হস্তান্তৰ কৰি পৃথিৱী পৰিত্যাগ কৰিব পাৰিব। আমি কওঁ তেওঁ আৰু বাট চাব লাগিলেও, সহস্ৰ হলেও ২১×৩ বছৰ "মেৰে-কেটে" অৰ্থাৎ কোনো-মতে বাট চাই থাকিব লাগিলেও যেন চাই থাকে, খুটিটো নেৰে, তেওঁৰ ওচৰত আমাৰ এই নিবেদন। শৰণ ললেই শৰণত পৰিল বুলি আমি নাই কোৱা, কিন্তু সেই বাটৰ বাটকৰা হৈ তাৰ অনুশীলন কৰি পৰিবলৈ যোৱাটোও ভুল নে? নাই বা, তেওঁৰ মতে আগৰ আঠোটাত পৰি পৰিহে তালৈ আহিবলৈ ৰৈ থাকিব লাগিব? তেওঁ এছোৱা উদাহৰণ দি কৈছে "এনে শৰণৰ মূল্য value কি?" আমিও তেওঁৰ আহি ধৰি, কোনোৰে অৰ্চ্চন পূজন কৰি থাকোতে, চোতালত ধান খোৱা গৰুক দেখি "হেঃ ছুঃ ছুঃ!" বুলি খেদোৱাৰ উদাহৰণ দিও কব পাৰোঁ "এনে অৰ্চ্চন পূজনৰ মূল্য কি?"

বাহীত আমি ক্ৰমাগতে "মহিমাময় ত্ৰিকালজ্ঞ ঋষিসকলক ঠেলি থৈ নিজৰ অনুমান আৰু গাৰ বলেৰে কোৱা কথাবোৰ" দেখি লেখকে সৃষ্টিনাশৰ ভয়ত কলম ধৰিছে বুলি জানি আমি আশ্বস্ত হলোঁ। আৰু পাঠকসকলো আশ্বস্ত হব; কাৰণ তেওঁৰ উদ্দেশ্য ভাল; যাতে ধৰ্ম্মৰ গ্লানি নহয় তাৰ নিমিত্তে তেওঁ চিন্তা আৰু চেষ্টা কৰি ভগীৰথে ভাগীৰথীক নমোৱাদি এজন নৰ অৱতাৰ নমাবলৈ ধৰিছেই। এই খিনিতে কিন্তু এটা কথা সোধোঁ—ত্ৰিকালজ্ঞ ঋষিয়ে কৰা শাস্ত্ৰতে আছে, কলিত ব্ৰাহ্মণ আৰু শূদ্ৰ এই দুজাত মাথোন; ক্ষত্ৰিয় বৈশ্য প্ৰায় লোপ পালে। তেওঁ তো ব্ৰাহ্মণ নহয়, ব্ৰাহ্মণেতৰ জাতৰ। বৈশ্য বুলি তেওঁৰ নামৰ লগত উপাধিও লেখা আছে। ব্ৰাহ্মণৰ বাহিৰে যে শূদ্ৰাদিয়ে লোকক ধৰ্ম্মোপদেশ দিব নাপায়, আৰু বেদৰ মন্ত্ৰ জিভাত তুলিব নাপায়, তুলিলে তাৰ ভয়ঙ্কৰ দণ্ডৰ বিধান আছে, ইত্যাদি ব্যৱস্থা যে স্মৃতিকাৰ ত্ৰিকালজ্ঞ ঋষিসকলে দি থৈছে, তেওঁ গাৰ বলেৰে সেই ব্যৱস্থা ঠেলি, বাঁহীৰ অনেক ব্ৰাহ্মণ পাঠকক, আৰু ঘাইকৈ ব্ৰাহ্মণ সম্পাদকক তেওঁ ধৰ্ম্মৰ কথা কোন গাৰ বলেৰে শুনাইছে, তেওঁ ত্ৰিকালজ্ঞ ঋষিসকলৰ আগত তাৰ কৈফিয়ৎ দিব লগীয়া হোৱা নাইনে? আমাৰ প্ৰতি তেওঁৰ কোনো ঈৰ্ষা ভাব নাই বুলি তেওঁ কোৱাত আমি নিঃচিন্ত হৈ তেওঁৰ শলাগ লৈছোঁ, কিন্তু তেওঁ ত্ৰিকালজ্ঞ ঋষি স্মৃতিকাৰৰ ব্যৱস্থা গাৰ বলেৰে ঠেলি যে ব্ৰাহ্মণ আমাৰে সৈতে সংশয় ভঞ্জন প্ৰাৰ্থনাৰ ছলেৰে যি ধৰ্ম্মৰ তৰ্ক লগাই দিছে, আৰু মাজে মাজে চোকা বাক্য প্ৰয়োগ কৰিবলৈকো inclination অভিৰুচি



দেখুৱাইছে, তাৰ নিমিত্তে আমাৰ জাতৰ ত্ৰিকালজ্ঞ ব্ৰাহ্মণ ঋষিসকলৰ ক্ৰোধবহ্নিৰ তাপ কেনেকৈ তেওঁ সহিব এই কথা ভাবি আমি আকুল হৈছোঁ; কাৰণ ত্ৰেতাত ৰামচন্দ্ৰৰ হাতত শূদ্ৰ তপস্বী আৰু দ্বাপৰৰ শেহত বলভদ্ৰৰ হাতত সুতৰ যি হৈছিল, সেইবোৰৰ legality ত্ৰিকালজ্ঞ ঋষিসকলৰ শাস্ত্ৰতে বিহা হৈ এনেকৈ আছে যে দেখি তেওঁৰ অৱস্থা ভাবি ভয় হয়। আমি আকৌ কওঁ—শৰণৰ বিষয়ে বৈশ্য মহাশয়ৰ idea ধাৰণা ভৰ-পৰ অৱস্থা ডোপৰতে আবদ্ধ; শৰণৰো by itself যে আদি,মধ্য,শেষ, থাকিব পাৰে সেইটোলৈ তেওঁ চকু দিবকে নোখোজে। "পৰমেশ্বৰত বাজে সকলো বস্তুৰ আদি অন্ত আছে" বুলি তেওঁ আমাক কৈ দিও, শৰণৰ আদি অৱস্থাৰ ফালে চকু মুদিছে দেখিহে আমি আহুকালত পৰিছোঁ। শৰণ যে ঈশ্বৰ নহয়, সেইটো তেওঁ ভালকৈ জানেই দেখিছোঁ। শৰণৰ বিষয়ে তেওঁ যিবোৰ কথা কৈছে, অৰ্চ্চন বন্দন পূজনতো সেইবোৰ খাটে বুলি যে তেওঁৰ মনত খেলোৱা নাই, এইটো হে আচৰিত। বিদ্যা বা জ্ঞান উপাৰ্জ্জন কৰিবলৈ বিদ্যাৰম্ভ কৰি বিদ্যাচৰ্চ্চা কৰিও যাব নেপায় নে? শৰণৰ অৱস্থাত সৰ্ব্বতোভাৱে উঠিবলৈ, শৰণ লৈ বা শৰণাৰম্ভ কৰি সেই সাধন প্ৰণালীও অৱলম্বন কৰিব নেপায় নে? সকলোৱে বি-এ, এম-এ, পৰীক্ষাত উঠিব নোৱাৰে বুলি তেওঁ স্কুল কলেজ-বোৰ গুচাই বিদ্যা শিক্ষাৰ বন্দবস্তও তুলি দিবলৈ কব খোজে নে কি? নিষ্কাম ভক্তিৰ বিষয়েও বৈশ্য মহাশয়ৰ ধাৰণা শৰণৰ নিচিনাই দেখিছোঁ। তেওঁ ভকতনীৰ উপাখ্যান বৰ্ণনা কৰি "নিষ্কামী"ৰ যি মানে বুজালে, তেনে মানেকে গীতাৰপৰা বুজি থৈছিল নে? তেওঁৰ মতে, শৰণ ললে যেনেকৈ "নিজৰ বা পৰিয়ালৰ ভিতৰত কাৰো বেমাৰ-আজাৰ হলে কলোকপৌকৈ ডাক্তাৰ কবিৰাজ বিচাৰিব" নাপায়, নিষ্কাম ধৰ্ম্মাচৰণ কৰিলেও হাত মুখ সাবটি বহি থাকিব পায় হবলা। নিষ্কাম কথাটোৰ অৰ্থ এয়ে নে?

ভালকৈ আমি দেখিছোঁ, লেখকে ৯-বিধ ভক্তি, এটাৰ পিছত হে এটা আচৰিবলৈ যাব পায় এই ধাৰণা কৰি লৈছে। ভক্তিক analyse কৰি তাক ন প্ৰকাৰ বুলি শাস্ত্ৰত দেখুৱাইছে। একো-একোজনে একো-একো প্ৰকাৰৰ ভক্তি অৱলম্বন কৰি তাত অগ্ৰসৰ হয়। কোনোৱে অৰ্চ্চন, কোনোৱে দাস্য, কোনোৱে সখ্য, কোনোৱে বাৎসল্য, কোনোৱে মধুৰ, ইত্যাদি। এবিধ ভক্তিত যে আন কেইবিধ ভক্তিৰ element অংশ বা ছাঁ নপৰে বা পৰিব নাপায় বা থাকিব নাপায় এনে

নহয়। অৰ্চ্চন বন্দনলৈকো দাস্যৰ ভাব আহিব, দাস্যলৈকো অৰ্চ্চন বন্দনৰ ভাব আহিব। অৱশ্যে যি বিবিধ বিশেষকৈ অৱলম্বন বা সাধনা কৰে, সেই বিধে সেই সাধনাত প্ৰাধান্য পায়, এই কেৱাই কথা। শ্ৰৱণ কীৰ্ত্তন যেনেকৈ আদি, তেনেকৈ মধ্য অন্তও। কোনো ভক্তই অৰ্চ্চন বন্দন ভক্তিৰ প্ৰণালী অৱলম্বন কৰিছে দেখি, তেওঁৰ দেৱতাৰ স্তোত্ৰ মন্ত্ৰ পাঠ তেওঁ আনৰপৰা শুওনে নে, বা সেই মন্ত্ৰ স্তোত্ৰ নিজেও কীৰ্ত্তন নকৰে? শ্ৰৱণ কীৰ্ত্তন বাদ দি তেওঁৰ অৰ্চ্চন বন্দন হয় নে? শৰণ শেহৰ ধাপ বুলি ধৰি লৈও, ঈশ্বৰত শৰণ লোৱা জনে ঈশ্বৰৰ নাম গুণ আৰু শুওনা, আৰু শুনিবলৈ আগ্ৰহ নকৰা, অথবা সেইটো duty কৰ্ত্তব্যৰপৰা তেওঁ হাত সাৰিলে বুলি ধৰিব লাগিল নে? নাইবা শেহৰ ধাপ শৰণত উঠা ভক্তজনে ঈশ্বৰৰ প্ৰতি দাস্য ভাব পৰিহাৰ কৰি স্বাধীন ভাব ধাৰণ কৰিব লাগিব? এই ন বিধ ভক্তি-স্কুলৰ ৯ম শ্ৰেণীৰপৰা যে প্ৰথম শ্ৰেণীলৈকে বুলি ওপৰ তল "ক্লাচ" আছে এনে নহয়। উদাহৰণ স্বৰূপে ধৰক, বন্দন ৮ম ক্লাচৰ বা "চেকেণ্ড" ক্লাচৰ ভক্তি, ৪র্থ, ৫ম ক্লাচলৈ উঠা ভক্তি-স্কুলৰ ছাত্ৰই অৰ্থাৎ অৰ্চ্চন পদসেৱন ভক্তি কৰোঁতা ছাত্ৰই ওপৰৰ ক্লাচৰ বন্দনত আঙুলি দিব নাপায় নে?। যাওক, আৰু এই বিষয়ে সৰহ কৰৰ সকাম নাই। আমি এই বিষয়ে বাঁহীত আৰু তৰ্ক-বিতৰ্ক নচপাওঁ, কাৰণ আমাৰ বৈশ্য মহাশয়ৰ তৰ্ক-বিতৰ্কত অৰুচি বুলি তেওঁ আমাক কৈছেই, আৰু কৈছে—ভতৰাৰ যেনেকৈ যুদ্ধত ৰুচি, তেওঁৰ যুদ্ধত ৰুচি, এই কেৱাই; এতেকে আমি গাৰ বলেৰে যি যুজ দিব পাৰিলোঁ তেওঁক দিলোঁ: আৰু আমাৰ গাত বল নাই, দুৰ্ব্বল হৈ পৰিছোঁ।

সম্পাদক।

---

## বৰবকুৱা সুদৰ্শন সংবাদ।

বৰবকুৱা। মিচিক্-মিচিক্‌কৈ হাঁহি আহিছা দেখোন? আকৌ কবিতা আনিছা নে কি?

সুদৰ্শন। হয়।



বৰবকুৱা। তেন্তে অলপ ৰবা, মই ভিতৰলৈ গৈ টোপোলাটো বান্ধি আনো।

সুদৰ্শন। কিয়?

বৰ। দেশ এৰি পলাই গুচি যাবলৈ।

সুদ। কিয়?

বৰ। কবিতাৰ ভয়ত।

সুদ। এইবিলাক কি কৈ থাকে আপুনি বৰবকুৱা ডাঙৰীয়া? মই কবিতাটো লেখি আনিছোঁ, আপনি শুনক, শুনি ভাল বেয়া কত কি হৈছে, কওক, মই শুধৰাই লওঁ।

বৰ। মোক তুমি তোমাৰ কবিতাৰ "চমজদাৰ" পাইছা নে কি?

সুদ। নিশ্চয় আপুনি "চমজদাৰ।"

বৰ। তেন্তে পঢ়া।

তলত দিয়া কবিতাটো সুদৰ্শনে জাত লগাই পঢ়ে—

কিয়নো আনিলি মানে, ঐ বদন তই
কিয়নো আনিলি মান?
যাউতিযুগলৈ খিয়াতি ৰাখিলি,
অসমৰ কটালি কাণ॥
পৰৰে শতুকক ঘৰতে সুমালি,
দেখালি আগেনডহ।
অসমৰ মুখতে কলাখাৰ ঘঁহিলি
বধিব থুজি বডহ॥
সোণৰে আসামত ডকাইত মেলি দিলি,
নন্দনত মেলিলি হাতী।
শোৱনি-ঘৰতে ফেটাগোম এৰিলি
ভৰহুপৰীয়া ৰাতি॥
কিনো কাম কৰিলি ফুকন ঐ বদন তই,
বেচিলি জনমে ভূমি।
মাৰকো দেহালি, জীয়েৰক বেহালি,
নিজকো, কলৈ নামি॥

গিৰ্জাতিৰ বিৰোধে কৰি বদন হেৰ,
ভাতিৰি বিৰোধে কৰি।
অসমক বধিলি, সকলো বুৰালি,
নিজে তয়ো গলি মৰি॥
পেটৰে পোৱালি ছিৰিলে মানে ঐ,
জীয়ৰী বোৱাৰী নিলে।
ছৱাৰ মাৰি বুঢ়া বুঢ়ী লৰা পুইলে,
সকলো অগণিত দিলে॥
গোসাঁইৰে ঘৰতে গৰু কাটি খালে,
লৈ গল দলৰ কলচী।
গোসাঁয়ে কান্দিলে, ভকতে কান্দিলে,
প্ৰজা বল চকুলো মছি॥
ল হেৰ বদন ঐ সাধুৰে শাওপাত,
বাইজৰ নেওচা ল।
গোটেই অসমৰে কান্দোনৰ টোপোলাৰ
ভাৰ-পাচীজোৰ ব॥
কেচুৱাৰ তেজেৰে বেখা ল কপালত,
ফোট ল বাবীৰে লো,
বুঢ়ামেঠাবোৰৰ মৰণৰ চিঞৰৰ
বস্তিগছ লৈ যা হো॥
সিপুৰীৰ বাটতে পোহৰাৰ বস্তি,
ফোট বেযাই ধৰিব তুলি।
জাঁপ দে বদন ঐ এক্কাৰ-সাগৰতে,
"জয় মা অন্ধকাৰ!" বুলি॥

বৰ। এই কবিতাটো তুমি কি কৰিব খুজিছা ?

সুদ। আপোনাৰ জুগুলী কাকতত ছপাবলৈ দিব খুজিছোঁ।

বৰ। তাৰ লগে লগে বৰবৰুৱাকো ফাটেকত নিদিয়া নে ?

সুদ। বাওক, কিবা ধেমালি কৰিবলৈ লাগিল।



বৰ। ধেমালি নাই কৰা, সঁচা কথাহে কৈছোঁ। তুমি বদন ফুকনক আক্ৰমণ কৰিছা ; আৰু যদি বদনৰ কোনোবা "আলেকৰ পালেক" আজিকালিও আছে তেন্তে সেইজনে "মোৰ পূৰ্ব্ব পুৰুষৰ defamation মানহানি কৰিলে" বুলি বৰবৰুৱাক উকিলৰ চিঠি দি, হয় তেওঁৰপৰা unqualified apology অৰ্থাৎ গলবস্ত্ৰ হোৱা ক্ষমা প্ৰাৰ্থনা demand খোজক, নাইবা মানসিক পীড়াৰ নিমিত্তে দহ হেজাৰ টকাৰ ক্ষতি পূৰণৰ দাবি কৰি কেছাৰিত গোচৰ কৰক।

সুদ। মই বুৰঞ্জীৰ ঘটনাৰ ওপৰত থিয় দি এই কবিতাটো যুগুত কৰিছোঁ, তাত কাৰ কি মান হানি হৈ মানসিক নৰীয়া হব পাৰে ?

বৰ। অসমীয়াৰ হয় ; তুমি ভু নোপোৱা।

সুদ। বাস্তবিকতে এইটো Ballad মই ৰচা নহয়, মই পুৰণি সাঁচিপতীয়া বুৰঞ্জী এখনৰপৰাহে তুলি আনিছোঁ।

বৰ। তেনেহলেও তুমি দোষী, কাৰণ 60 years old whisky অৰ্থাৎ ষাঠী বছৰীয়া পুৰণি ফটিকাৰ ৰাগি বুজনকৈয়ে লাগে। পুৰণি ওলকচুৰেও ডিডি খজুৱায়। যি হওক, তুমি কবিতাটো লৈ যোৱা, জুগুলীয়ে নছপায়।

কৃপাবৰ।

---

# বৰবৰুৱাৰ চিঠি।

( ৪ )

আহিবৰ সময়ত তোমাক কৈ আহিছিলোঁ, তোমালৈ চিঠি লেখিম; কিন্তু কতা ? আজিলৈকে তোমাৰে সৈতে চিঠিৰ টেলিফনৰ তাৰকে লেখোন লগাব নোৱাৰিলোঁ। এই চিঠিখন সেই তাৰৰ প্ৰথমটো খুটা বুলি ধৰি লব পাৰা, কিন্তু খুটা এটাই তো নচলে, বাকীবোৰ পোতোঁতে পোতোঁতেই আমাৰ জীৱনৰ তাৰ নিছিগিলে ৰক্ষা।

তুমি কিজানি ভাবিছা, যে আমাৰ দুইৰো চিনাকী আৰু বন্ধু অসমীয়া চেলি (Shelly) কবিয়ে কোনো এটা কাম গাত লৈ—(যেনে :—কবিতা লেখিবলৈ) যেনেকৈ হওনী নৈৰ সাকো পাৰ হওঁতে-নো-হওঁতেই সেই কথা তেওঁৰ মনৰ পৰা উভি যায়, সেই দৰে মই চিঠি লেখিম বুলি কৈ অহা কথাৰ কাফুৰ ডোখৰও

উভি গল। সেইটো নহয়, আনটো হে ;—সেই আনোটো হৈছে—আহৰি নোপোৱাটো। তুমি নিশ্চয় কবা, "এইটোও আপোনাৰ চেলুৰ খোৱা-বক্ৰা ( Chief of the lame excuses ) কাৰণ তুমি মোৰ মুখৰপৰা সততে শুনা মনত পৰিব যে কাম কৰিবলৈ "আহৰি নোপোৱা কথা বিচাৰৰ "চণ্ডালৰ" আগত নিটিকে।" মই কওঁ সেইটোও সঁচা। তুমি কবা, "দুটা সঁচা হব নোৱাৰে ; এটা সঁচা হলে আনটো স্বভাৱতে মিছা হব"। মই কওঁ, কলিকালত হয়। তুমি জানো দেখা নাই অনেকে "মোৰ একোকে ভাল নেলাগে, মই সকলো এক নিমিষতে এৰি পেলাব পাৰোঁ," বুলি, কুৰুকি কুৰুকি ভালকৈ সংসাৰৰ সকলোবোৰ খোৰতে কপ্‌কপীয়কৈ সোমোৱা ?

কালি সীতাকুণ্ডলৈ গৈছিলোঁ। মটৰ গাড়ীৰে। ইয়াৰপৰা প্ৰায় ৫ মাইল দূৰত সীতাকুণ্ড। লগত লগৰীয়া আছিল, ভদ্ৰমহোদয় আৰু ভদ্ৰ মহোদয়া—দুই বিধৰ। তেওঁলোকৰ দুইৰো এটা ডাঙৰ কুকুৰ আছে সি বিলাতী আৰু দেশী-জাতৰ "সান-মিহলি টোকা" ; অৰ্থাৎ ওখ মনৰ "মমৈৰ" শিক্ষিতসকলে আজি-কালি পূব আৰু পচিমক অৰ্থাৎ "East and West twain-অক" "meet" কৰাই অৰ্থাৎ পূব-পচিমৰ সম্মিলনি পাতি, পৰস্পৰ Sympathy create কৰি অৰ্থাৎ দুইৰো দুইলৈকে মৰম-বেথা লগোৱাই, পৰস্পৰৰ ভালৰ যি ওখ আহি মনত পুহিব লাগিছে, আমাৰ ভদ্ৰ মহোদয় আৰু মহোদয়াৰ ডাঙৰ কুকুৰটোৰ উপৰি পুৰুষেও তাকে Practical Shape-অলৈ আনিবলৈ অৰ্থাৎ কাৰ্য্যত পৰিণত কৰি-বলৈ প্ৰয়াস কৰিছিল। ফলত এই ডাঙৰ কুকুৰৰ উদ্ভৱ। মই সেইদেখি তাৰ নাম Sympathy অৰ্থাৎ সহানুভূতি দিছোঁ। সি কিন্তু এনে Unsmypathetic সহ অনুভূতি বিহীন যে তাক মই দিয়া নামটোৰে মাতিলে "দাৰুণ তচ্ছিল্য ভাবে সে কৰে যে পলায়ন", যদিও মোৰ "এখনো এখনো প্ৰাণ সে নামে শিহৰে কেন" হয় ; কিন্তু ওপৰত কোৱা ভদ্ৰমহিলা আৰু ভদ্ৰমহোদয়ে তাক দিয়া নাম ( Dick ) ডিক্ বুলি মাতিলে সি লৰি নাচি নাচি আহে আৰু ভুকি ভুকি গান গায়। আজিকালি ভাললৈ বুলি কোনো কাৰ্য্য কৰিলেও তাৰ বিপৰীত ফল হয় দেখিছোঁ। ? আৰু আজি-কালি ভাৰতৰ প্ৰাণীয়ে বিলাতী Tom, Dick, Harry ( টম, ডিক্, হেৰি ) নাম পাবলৈ আৰু চপ্, কটলেট, কৰি খাবলৈ বিয়াকুল হৈ কেনেকৈ ফুৰে তাৰে এইটো এটা উদাহৰণ। কুকুৰটো লোদোৰ-পোদোৰ। দিনে ৰাতিয়ে তাৰ গৱাকী যুগলৰ খাস্ত



বিষয়ত যত্নত সি গাৰুটো যেন হৈ পৰিছে। তেওঁলোকে এতিয়াও বহি চুং কৰা যেন দেখোঁ, যে ডিকৰ কিয় মুখ দুখন নহল! মই পৰাহেঁতেন নিশ্চয় তাৰ মুখ চাৰিখন কৰি দুইকো নথৈ সুখী কৰি দিলোঁহেঁতেন। তুমি নিশ্চয় এই কথা শুনি হাঁহিবা ; কিন্তু তুমি পণ্ডিত লোক, তাতে কবি, তুমি অৱশ্যে শাস্ত্ৰত পঢ়িছা, আৰু ছবিত দেখিছা, যে ব্ৰহ্মাৰ চাৰিখন, আৰু ৰাৱণৰ দহখন মুখ আছিল। সেইটো নহয় সত্য ত্ৰেতাৰ কথা ; সেইবুলি কলিযুগত আমাৰ ডিকলৈ অন্ততঃ দুখন মুখ বিচৰাটো একো unreasonable request অৰ্থাৎ অযথা প্ৰাৰ্থনা নহয় যেন লাগে। তুমি কি বোলা ?

ডিকৰে সৈতে তাৰ গৱাকী যুগলে এনেকৈ কথা পাতে, আৰু তাক এনেকৈ মৰম কৰে, মই লেখি দিব পাৰোঁ, তুমি কেতিয়াবা পাহৰি কোনোবা কালত কোনবা "ডৰথি"(Dorothy)বা "এমি"(Amy) নামৰ শ্ৰীমতী বেংমতীক বিয়া কৰাই লৰা ছোৱালীৰ বাপেক, আৰু সম্প্ৰতি অজ্ঞাত কুলশীলা অথচ মনোৰপত "চোৱাৰ" হৈ উঠি থকা সেই বেংমতীক মাক পাতি, সিহঁতৰ পিতৃ পদ অধিকাৰ কৰিলেও, সিহঁতক সেইদৰে মৰম কৰিব নোৱাৰা,—কাৰণ মই তোমাক জানো নিচিনো ? লোকক মৰম দিয়াতকৈ পাবলৈহে তো তুমি ভাল পোৱা। তুমি যাক ভাল পোৱা, তেওঁৰে কোলাত মূৰটো থৈ, আন নেলাগে সদায় মৰিবলৈকে ওলোৱা, কিন্তু যাৰ কোলাত মৰিবা, তেওঁ যে তুমি মৰিলে কেনেকৈ বেজাৰ পাব, আৰু তাৰ উপৰি মৰাশটো তেওঁৰ কোলাত থাকিলে যে তেওঁৰ বেয়া লাগিব, আৰু কোনোবাকৈ পুহ মহীয়া যদি সেই "কনি মৰণ" ঘটে তেন্তে দৈনত জোৰোৱা মাৰি শুচি হবলৈ গৈ যে জাৰত তেওঁ ঠেৰেঙা লাগিব, সেই কথালৈ জানো তুমি ভাবা ? তোমাৰ সুখৰ idea কল্পনা বা ভাব সদায় দেখোঁ one-sided অৰ্থাৎ "একতৰফা"।

সীতাকুণ্ডলৈ যোৱাৰ কথা কবলৈ গৈ এইবোৰ কি যে কুকুৰ-ধুলি কথাই আওৰিলে কব নোৱাৰোঁ। তাহানি আমাৰ ৰংপুৰৰ কুকুৰ এটাই ৰাতি পিৰালিত শুই থাকোঁতে আপোনাআপুনি কোৱা শুনিছিলোঁ—"মই একে ৰাতিৰ ভিতৰতে গঙাচান কৰি আহিবগৈ পাৰোঁ, কিন্তু বাটত গিয়াতিয়ে লগ পায় দেখিহে লেঠা লাগে।" কি occasion-অত অৰ্থাৎ কি সূত্ৰত এই ঘটনাটো ঘটিছিল, তাকো তোমাক কওঁ—কাৰণ মই পেট-খোলা মানুহ। সেইদিনা গধূলি আমাৰ ঘৰত কোনবাই গঙাচান কৰিবলৈ যোৱাৰ বিষয়ে আলচ কৰিছিল, আৰু তাকে আমাৰ সেই

ধৰ্ম্মপ্ৰৱণ কুকুৰটিয়ে শুনি আছিল হবলা ; সেইদেখি সি নই শুনাকৈ সেই আযাৰ ওফাইদাং মাৰিলে হবলা। যি হওক, এই খিনিতে কওঁ—যে কুকুৰে যে অকল কুকুৰকে সন্ধ কাৰ্য্যত হকাবাধা কৰে এনে নহয়, বোলোঁ—মানুহকো। আজি কিন্তু এই দেশত দেখিলোঁ, মটৰ গাড়ীকো কুকুৰে পালে শুদাই নেৰে। কওঁ শুনা :—আমি গাড়ীতে সীতাকুণ্ডৰ ফালে এমাইল মান বাট গৈছোঁ, এনেতে বাটৰ কাষৰ ভটুৰা কুকুৰ এটাই মটৰকাৰখনৰ ফালে এনে এটা চোচা মাৰি আহিল, আমি এটাই কেউজনে দেখি অবাক। মইতো ভাবিছিলোঁ, যে যদি ই কেনেবাকৈ মটৰগাড়ীখন ধৰিব পাৰে, তেন্তে গাড়ীৰে সৈতে আমাক এটাইকেউজনকে গোটে গোটে গিলিব। শুনিলে নপতিয়াবা কিজানি, কিন্তু এইটো হলে সঁচা যে এমাইলমান বাট কুকুৰটোৱে প্ৰাণপণে মটৰগাড়ীখন খেদি গৈছিল, শেহত গাড়ীখনৰ বেগ বেছি হোৱাত সি লগ ধৰিব নোৱাৰি ভাগৰি পৰিহে, সেই ইংৰাজীত কবৰ নিচিনা wild goose chase অৰ্থাৎ ধৰা—অসাৰ্থক আক্ৰমণ পৰিহাৰ কৰিলে।

অলপৰ পিছতে আমি সীতাকুণ্ড পালোঁগৈ। কুণ্ডৰ পানীবোৰ উতলি আছে, বুৰ-বুৰণি কাঢ়িব লাগিছে। তাত হাত দি চালোঁ বৰ চেঁচা। সেইদেখি তাত কোনেও গা ধুব নোৱাৰে। লোৰ "ৰেইলিং" জেওৰা দি কুণ্ডটো বেৰি থৈছে। কিন্তু আচৰিত কথা যে তাত চাউল পেলাই দি চাইছিলোঁ, চাউল সমূলি নিসিজে। তাৰপৰা ছচিচা পানী মই দুটা চিচাত ভৰাই ললোঁ। এইটো আমাৰ বাহীৰ মেনেজৰৰ ফৰ্ম্মাচ। তেওঁৰ ডাক্তৰখানা আৰু "কিউৰিয়ৰ" লাংখালিংখিব, নিশ্চয় এইপানী ছচিচা তালিকাভুক্ত হব। সীতাকুণ্ডৰ ওচৰতে আৰু চাৰিটা কুণ্ড আছে, সেই চাৰিউটাৰ পানী একেবাৰেই চেঁচা। সেই কেইটাৰ নাম -ৰামকুণ্ড, লক্ষ্মণকুণ্ড, ভৰতকুণ্ড আৰু শত্ৰুঘ্নকুণ্ড। সীতাকুণ্ডতে হেনো সীতাই অগ্নি-পৰীক্ষাৰ পিছত গা ধুইছিল ; তেওঁৰ গাৰ তাপ লাগি পানী তেনে তপত হল। ইয়াৰ তিনি শ হাতমান দূৰত এটা কুণ্ড আছে তাৰ নাম ফিলিপ্স-কুণ্ড। মুঙ্গেৰত আগেয়ে এজন Phillips ফিলিপ্স নামেৰে ডিষ্ট্ৰীক্ট মাজিষ্ট্ৰেট আছিল তেওঁৰ নামেৰেই এই কুণ্ডৰ নাম হৈছে। এই কুণ্ডটো আবিষ্কাৰ কৰিবৰ সৰহ বছৰ হোৱা নাই। মোটে ১২বছৰ হৈছে। এইটোও লোৰ জেওৰাৰে বেৰা। এইটোৰ পানীৰেই কেল্‌নৰ কোম্পানীয়ে তেওঁলোকৰ "সীতাকুণ্ড চডাওৱাটৰ" কৰে। জামালপুৰত চডাওৱাটৰৰ কল। ইয়াৰ পানী তাতৈ বোৱাই লৈ যায়। জামালপুৰ মুঙ্গেৰৰপৰা ছমাইল দূৰত। আজিলৈ ইমানতে।

কৃপাবৰ।

---



# নগা-কথা বা গদাপাণিৰ সংবাদ।

( ২ )

ৰাতিপুৱা সোনকালে সাৰ পালোঁ, কিন্তু ভৰিৰ বিষত উঠিবৰ মন নগল। ইকাতি-সিকাতি কৰি আছোঁ, এনেতে খিলিকিৰ পিনে, দুৱাৰৰ পিনে, নগা বোৰে জুমি চোৱা দেখি, নগা আহিল বুলি বুজিলোঁ। সিহঁতে আমাক শুই থকা দেখি, আমাক একেবাৰেই অকামিলা যেন ভাবিব, এনে বিবেচনা কৰি, পালেং এৰি, মুখ হাত ধুই, লৰমাৰিবলৈ যুগুত হলোঁ। অদৃষ্টৰ ইচ্ছা, আমি কাৰ্য্যকাৰী পুতলা মাথোন, যি কৰে কৰিব, শৰীৰ সহিবলৈ, সহিবই লাগিব। পাঠকসকল, আপোনালোকে আৰামত বহি বা শুই এই প্ৰবন্ধ পঢ়িছে, কিন্তু মোৰ নিচিনাকৈ "ঠেকত" পৰিলেহে বুজিব পাৰিব,"অধিক কি ক'ম। মই কোন পিনে যাম নেজানি, অগাধ অৰণ্যৰ শোভা চাই চাই, দাহ, কোঁদোৰ খেদাৰ ভয়ত, চেৰেপাৰ কামোৰত মূৰ খজুৱাই খজুৱাই, ডেকাজনে ফেৰেকা ভৰিৰে কুঁজা পিঠিৰে হাতত খাগৰী এডাল লৈ নগাৰ লগত লৰ মৰা চাই, নগাৰ পিঠিত লৰাতিকতাবিলাক চকিত বহি, নগাৰ খোজে খোজে, দোপে দোপে, মূৰ গা জোকাৰি ( নাচি নাচি যোৱা দৰে ) যোৱা চাই, পিয়াহ, ভাগৰত আহি দেখোঁ যে, নগাবিলাক ৰ'ল কিন্তু ভাব নবোৱা নাই। মই আহি সুধিলত, অসমীয়া কথা জনা নগা এটাই কলে যে "আমি এতিয়া নগা বাটে যাম। চৰকাৰি বাট এৰিম"। নগা বাট, চৰকাৰি আলি, কোনটো কি বুজিব নোৱাৰি কলোঁ যে "যি পিনে ইচ্ছা সেই পোনে ব'ল। মোৰ আদেশ পাই, নগাবিলাক হাবিত সোমাল। হায়! হায়!! সন্মুখত থিয় পৰ্ব্বত, আমি যোৱা এটি সুৰসুৰীয়া বাট ; জোঁকে লেউলেৱাই আছে। পৰ্ব্বতে যেন নিজ অহঙ্কাৰত আকাশ ফুটাবলৈ দীঘল হৈ থিয় হল, বাটেও দীঘে দীঘে, পৰ্ব্বতৰ মূৰলৈকে বাট পথাৰে মেৰিয়াই হেঁচি তললৈ টানিবলৈ ধৰিলে। এই থিয় গৰা-আলিত, জোক গুচাই গুচাই, অলপ দূৰ গৈয়ে, গাৰ কোট আৰু ভৰিৰ জোতা শোলোকাই, ভাৰীৰ পিঠিত বান্ধি দিলোঁ। আৰু অলপ উঠি, দলো বাঁহৰ টোকোন এডাল পাই হাতত লৈ, ভৰ দি, ভৰ দি, উঠিবলৈ বাধ্য হলোঁ। এই প্ৰকাৰে কেইনলমান উঠি, পট্‌লুং শোলোকাই ভাৰীৰ পিঠিত দি, কামিজৰ গুদাম খুলি, উঠিবলৈ ধৰিলোঁ। এই

প্ৰকাৰে উঠি উঠি জিৰাই জিৰাই, কিমান উঠিব লাগিব, আৰু দেহত প্ৰাণ থাকিব নে নাথাকিব, নিশ্চিত হবলৈ নগাবিলাকক সুধিলোঁ। সিমানে সোধোঁ, সিহঁতে সিমানে কয় যে, আৰু অলপ উঠিলে টিং পাম আৰু নামিব লাগিব। কিন্তু এটা, দুটা, তিনটা আদি কত যে থিয় থিয় গৰা উঠিলোঁ কব নোৱাৰোঁ। দেহত প্ৰাণ ছটফটাবলৈ ধৰিলে, কিন্তু এনেতে দেখিলোঁ যে ওপৰত ভাৰীবিলাকে ভাৰ নমাই ৰহিল। এইয়ে পৰ্ব্বতৰ টিং বুজি শেষ বলত বল দি পৰ্ব্বতৰ টিঙত উঠি, সুহৃদ দলৌ টোকোনক শীতান লৈ, শিল এটাৰ ওপৰত শুই পৰিলোঁ। পৰ্ব্বতৰ নিৰ্ম্মল সুশীতল বতাহে শৰীৰ শীতল কৰি, ভাগৰ দূৰ কৰিলে। ওপৰত সুনীল আকাশ, অ'ত ত'ত বগা বগা মেঘখণ্ডবিলাক, চাৰিও পিনে অৰণ্যাবৃত সেউজীয়া পৰ্ব্বত শ্ৰেণী; যিমানলৈ দৃষ্টি যায়, সৰু বৰ পৰ্ব্বত। কোনো কোনো পৰ্ব্বতৰ টিঙত ৰিনিকি ৰিনিকি নগাগাওঁ দেখা গৈছে। এনেতে হঠাৎ, শিৱসাগৰৰ ডেকাবিলাকে কৰা থিয়েটৰৰ গদাধৰ বৰুৱাৰ কথা মনত পৰিল। মই যে কিমান দুখ পাই পৰ্ব্বতত উঠিছোঁ, আৰু এই সময় আৰু গদাধৰ বৰুৱা অহাৰ সময়ৰ ভিতৰত যে কত প্ৰভেদ, ভাবিবলৈ ধৰিলোঁ। তেওঁ যি সময়ত নগাপৰ্ব্বতলৈ আহিছিল সেই সময়ত এই "ব্ৰাইডেল পাঠ" নাছিল, সেই সময়ত এই পৰ্ব্বতবিলাক আৰু অৰণ্য, ভয়ানক দুৰ্গম আছিল। নগাবিলাকও সেই সময়ত দুৰ্দ্দমনীয় নৰৰক্ত পিপাসু আছিল।

তেওঁ যে মোতকৈ কিমান কষ্ট পাইছিল, ভাবিবলৈ ধৰিলোঁ। এনেতে পশ্চিম ফালে মেঘৰ তলত, পৰ্ব্বতৰ সিপাৰে, মোৰ চকুৱে সমথল দেখিলে। সমথল দেখিয়েই মোৰ মনে তললৈকে সেই ঠাই পালেগৈ। জ্ঞানে বিচাৰিবলৈ ধৰিলে, বিবেকে তৰ্ক কৰিলে, তৰ্ক শুনি, সকলোৱে সিদ্ধান্ত কৰিলে যে এই যে আমাৰ "শ্যামলা জন্মভূমি"। বুজা মাত্ৰেই সকলোৱে চকু-যোৰাত উঠি, তিল তিল কৰি শিৱসাগৰৰ দৌল, ৰং ঘৰ, কাৰেং ঘৰ, ইত্যাদি বিচাৰিবলৈ ধৰিলে, কিন্তু সমথলৰ ওপৰত মেঘ নে কুৱঁলী থকা গতিকে একো চিন নেপালে। অলপাত সেই সমথলৰ মাজে মাজে মেঘলৈকে দীঘল হৈ থকা, বগা গামোচা এখনৰ নিচিনা বেকোৰা-বোকোৰা দেখি বুজিলে যে এইয়ে ব্ৰহ্মপুত্ৰ। মনে তেতিয়াই নিজ "লাইব্ৰেৰিৰ"পৰা আসামৰ মানচিত্ৰ উলিয়াই, মানচিত্ৰৰ উত্তৰ দক্ষিণ চাই, দেখিলে যে এই সমথলৰ এই চুকতহে শিৱসাগৰ আছে। হৃদয় দীঘল হুমনিয়াহ পেলালে; মোৰ আৰো চাবলৈ বেজাৰ লাগিল।



পুনৰ নগাই সিজোৱা চাহপানী খাই, ১৯১৪ চনৰ মই "দলৌপাণিয়ে" মোৰ গদা-দলৌ-টোকোন লৈ পৰ্ব্বত নামিবলৈ ধৰিলোঁ। ভৰিৰ তলত, তললৈ চালে মূৰ ঘূৰাই যোৱা থিয় গৰা। কোনো ঠাইত তামোল গছৰপৰা চুচৰি নমাৰ দৰে নামিব লাগে। কোনো ঠাই এনে হেলনীয়া যে লৰমাৰিবলৈ বাধ্য হব লাগে। কোনো কোনো ঠাইত চেপেটা খাই সাৱধানে যাব লাগে, কাৰণ ভৰিৰ তলত এমাইল মান দ হৈ থিয় গৰা। আমাৰ গাৰ কাষৰত, মূৰৰ ওপৰত, ওলমি থকা থিয় শিল। আমি খোজ দিবলৈ এবেগত মান বহল বাট, খোজ দিওঁতে প্ৰতি খোজত, ভৰিৰ তলৰ শিল থৰক বৰকৈ কঁপি থাকে। ভৰি পিচলিলে যে ক'ত পৰি কি হব, ভাবিবলৈ গলে, ভৰিৰ তলুৱা পৰ্য্যন্ত ঘামিবলৈ ধৰে। যি হওক কোনো প্ৰকাৰে, ঈশ্বৰৰ কৃপাত নামি নামি আমাৰ ভৰিৰ তলত থোপাথোপকৈ থকা নগাগাঁও দেখি, এই গনেই "খাৰি" গাওঁ বুলি জানি এই অৰণ্যৰ মাজত লোকালয় দেখি, আনন্দিত মনেৰে নামি প্ৰায় আবেলি তিনিমান বজাত গাওঁ পালোঁহি। গাঁৱৰ ঘৰবিলাক কনিকবাৰ দৰে থোপাথোপ। বাৰী বাগিছা নাই। গাৱঁৰ চাৰিওপিনে অৰণ্য। সেউজীয়া পৰ্ব্বতবিলাক কত যুগৰপৰা যে কি ভাবনাত, মূৰদাঙি দাঙি, কি উদ্দেশ্যত আছে, কোনে কব পাৰে? বাস্তবিকতে, ভাবুকৰ মন, এনে দৃশ্য দেখি, সেই করুণাময় সৃষ্টিকৰ্ত্তাৰ চৰণত ঘনে ঘনে লুণ্ঠিত নহব তাৰ কোনো সংশয় নাই। এই নিমিত্তেই এই স্বভাৱৰ শান্তিত মন নিবিষ্ট কৰি, আমাৰ পূৰ্ব্বৰ ঋষিসকলে সেই সচ্চিদানন্দৰ ধ্যানত তেওঁবিলাকৰ জীৱনকাল অতিবাহিত কৰিবলৈ আগ্ৰহ পাতি আছিল। কিন্তু আজিকালিৰ আমি আৰু তেওঁলোকৰ ভিতৰত স্বৰ্গ মৰ্ত্ত্য প্ৰভেদ।

গাঁৱৰ অন্ত বিশেষ চাবলৈ সময় নেপালোঁ, কাৰণ "চমাৰ" ( মৰাগক টনাটনি কৰা চমাৰ নহয়; নগা কথাৰে বৈভামবাসীক "চমাৰ" বোলে—চ অৰ্থে পানী, ইমেৰ অৰ্থে গজ্ঞা, অৰ্থাৎ জলাভূমিত থকা মানুহ ) মানুহ চাবলৈ, লৰা বুঢ়া সকলো, আমাৰ আগত থিয় হ'লহি। লৰাবিলাক, এনে কি ১৫।১৬ বছৰীয়া লৰা পৰ্য্যন্ত নাঙঠা। কঁকালত জৰি এডালত নগাদা খোৱা, কাঠৰ চাবি চুকীয়া "ফাক" বন্ধা। কাণত ফুল, গাত ইত্যাদি। প্ৰতি, কাণত তিনটা তিনটা বিন্ধা। ছোৱালীবিলাকৰ কঁকালৰপৰা আঠুৰ ওপৰলৈকে, দুই মূৰ জোৰা নিদিয়া মেখেলা। কোনো কোনো ছোৱালীৰ গাত বৰকাপোৰ এখোৱন; বুকু উদং, বুকু শিলৰ মণি,

শঙ্খৰ মলা, এপোৰা এপোৰা নান ওজনৰ গহৰ পিতলৰ "হাচুলী" ; পিতলৰ শিকলিৰে আবৃত। মতাবিলাকৰ দৰে কাণত ফুল পাত ইত্যাদি ওলোমাই থৈছে। কিন্তু মতাৰ দৰে কাণত তিনটা তিনটা বিন্ধা নাই, এটা এটাহে প্রতি কাণত বিন্ধা আছে। গাভৰুবিলাকে নিজৰ মুখৰ থুৰে চুলি চকচকীয়া কৰি আঙ্গলীৰে সেঁওতা ফালি, চুলি-জৰিৰে খোপা বান্ধি, সেই খোপাত ফুল পাত ইত্যাদি পিন্ধি থাকে। থুতৰিত, হাতত, বুকুত, পেটত, আৰু আঁঠুৰপৰা তললৈ, কাপ কাপ "খুদনা" কৰা। ভৰি দেখিলেই শংকাসাপলৈ মনত পৰে। গাভৰু আৰু তিৰুতাবিলাকৰ প্রভেদ এই যে তিৰুতাবিলাকৰ দুই কাণৰ ওপৰত, আমাৰ ঘৰৰ দুৱাৰৰ পৰদাত লগোৱা আঙ্গঠিৰ দৰে দুটা পিতলৰ আঙ্গঠি, দুই কাণৰ ওপৰত ৰেল এঞ্জিনৰ চকু দুটাৰ দৰেহে শোভা কৰিছে। কাণত ফুল পাতৰ পৰিবৰ্ত্তে দীঘে-পথালিয়ে চাৰি আঙ্গুল মান বহল, এক আঙ্গুলিমান মোটা, আইনাৰ দৰে জিলিকি থকা স্ফটিক শিল, দুই কাণে দুটা কেক। এই কেকৰ ভৰত কাৰো কাৰো কাণ ছিগি গৈছে, তথাচ জৰি এডালেৰে বান্ধি কাণৰ যথোচিত স্থানত ওলোমাই থৈছে। পিন্ধনত সেই দুই মুৰ জোৰা নিদিয়া, আঁঠুৰ ওপৰত থকা, খোজ কাঢ়িলে এখন ভৰিৰ কৰঙ্গনলৈকে দেখা পোৱা মেখেলা। ভৰি সেই গাভৰুবিলাকৰ দৰে অবিকল শংকাসাপ। যি হওক গাভৰুবিলাক কিন্তু অলপ চাকচিক্য। সিইঁতে আমাক চাই আৰু হাঁহে। কেলেই বুজিব নোৱাৰিলোঁ। হবলা, আমাৰ নগাজীৱন লাভ কৰা দেখি। কি কৰিম আজি নাগিনীয়েও হাঁহিলে। গাভৰুবিলাকে বৰকৈ হঁহাত, আমাৰ আৰিকুঁজা ডেকাজনেও, জাপ এটা মাৰি হাঁহিলে। তেওঁক দেখি আমি সকলোৱে ( অৰ্থাৎ আজিৰপৰা আমিও নগা হলোঁ ) হো হো কৰি হাঁহিবলৈ ধৰিলোঁ।

আজি মোৰ হাঁহিবলৈ বৰ ভাল লাগিল, কাৰণ আজি নাগিনীক চাই হাঁহিলোঁ। কাক চাই কোনে নেহাঁহে ? ডেকা পাঠকবিলাকে ভুল নুবুজিব, বুজিলেও অনিষ্ট নাই, কাৰণ হাঁহি অনেক প্রকাৰৰ। লৰাৰ হাঁহি, ডেকাৰ হাঁহি, আৰু বুঢ়াৰ হাঁহি। পাঠকবিলাকে মোৰ হাঁহি নবুজাকৈ কোনেও নেহাঁহিব, কাৰণ তেওঁবিলাকে, মোৰ বয়স পালেহে বুজিব। মোৰ বয়স কিমান কবৰ আৱশ্যক নাই। মই, দলৌ-পাণিয়ে আজি নাগিনীক চাই হঁহাত যদি কোনোৱে দোষ ধৰে, ধৰক, মই হাঁহিলোঁ হয়। অসমীয়াৰ দোষ অসমীয়াই খুচৰি খুচৰি



উলিয়াই ধৰে, এইটি অসমীয়াৰ গুণ-ন-ন ( যেনে বৰণৰ ন, ন, ন ) কিন্তু যদি পশ্চাৰ সিপাৰৰ কোনো এজনে লিখি বা পেট জোকাৰি এনে কথা কয় তেন্তে তেওঁবিলাকে ন ন ন নকৰে। এনে কথাত মই ডেকাবিলাকৰ লগত বাক্-যুদ্ধ কৰিবলৈ যুগুত। কিন্তু বৃদ্ধবিলাকক মই এই কথা কওঁ :—এই অনিত্য জগতত অৰ্থাৎ যি জগৎ আমাৰ কাৰ্য্য কৰা ক্ষেত্র মাত্র, যি জগতত আমি আদেশ প্রতিপালন কৰা ভৃত্যমাত্র, যি জগতত আমি বিশ্বকৰ্ত্তাৰ লীলাকাৰী পুতলা মাথোন, এনে জগতত, আমাৰ এই ক্ষণস্থায়ী জীৱনত, দিনে দিনে কত ভাৱত কত প্রকাৰে হাঁহো। এদিন আই বোপাইক দেখি হাঁহিলোঁ অৰ্থাৎ পবিত্রৰূপে। এদিন সেই বোপায়ে মোৰ নিচিনাকৈ দাঙ্গৰি কঢ়িয়াব নোৱাৰি দাঙ্গৰি পথাৰত পেলাই দিলত হাঁহিলোঁ, অৰ্থাৎ মই তেতিয়া অহং জ্ঞানত মত্ত কুঞ্জৰ। এদিন আই বোপাই, মোৰ ঘৰলৈ অহা দেখি লৰালৰিকৈ মোৰ তিৰুতাক মাতি কলোঁ "সৌৱা দেখি-ছানে ? পইচাৰ কথা কলে, আমাৰ হাতত এটি পইচাও নাই বুলি কবা"। এনেতে আই বোপাইক তামোলছালি দি বিদায় দি, তেওঁবিলাকে তলমুৰ কৰি যোৱা দেখি হাঁহিলোঁ। আজি কিন্তু মই এক নতুন ভাৱত হাঁহিলোঁ। এই অগাধ অৰণ্যৰ মাজত, এই প্রাথমিক অৱস্থাৰ নৰ নাৰী দেখি মোৰ মনত যে কত প্রকাৰ বিশ্ব-কৰ্ত্তাৰ লীলা দেখিলোঁ, এই কথা যদি পাঠকবিলাকে বুজে তেন্তে সুখী হম।

নগা পুৰুষবিলাক পুৰুষযোগ্য, বলিষ্ঠ, মুৰ্ত্তি গম্ভীৰ। কোনো কোনো ডেকা বিলাকে গাভৰুবিলাকলৈ চাই হাঁহিছিল, কিন্তু এই হাঁহি ডেকা গাভৰুবিলাকৰ স্বাভাৱিক। পুৰুষবিলাকৰ কাণত ফুল পাত, কপাহ ইত্যাদি পিন্ধা ; গাত বস্ত্র নাই। সন্মুখত চাৰি আঙ্গলিমান বহল আৰু এবেগতমান দীঘল লেংটি সংলগ্ন ঢাকনী মাত্র, লজ্জা নিবাৰণৰ নাম মাত্র আৱৰণ। ডিঙ্গিত গাহৰিদাঁতৰ "নেকলেচ" অৰ্থাৎ "কলাৰ", বুকুত ৰঙ্গা শিলৰ মণি, আৰু শঙ্খৰ মালা। হাতৰ বাউসীত হাতী দাঁতৰ "বাজু"। হাতত সুতীক্ষ্ণ যাঠি, আবেলিৰ ৰদত চিকমিকাই আছে। ককালত জৰি এডালেৰে বন্ধা কাঠৰ দা-কাঁকত, তিনি চুকীয়া নগা দা ওলমি দুই টিকাৰ মাজ অঙ্গ ঢাকি থৈছে। গাত সেই নগা গোন্ধ, মুখত লাগি থকা পাইপৰ ধোঁৱাৰ গোন্ধ।

এনেতে এজন নগাই মোৰ মুখলৈ চাই হাঁহি বিং বিং বাং বাং শব্দেৰে কিবা এটা কলে বুজিব নোৱাৰিলোঁ। এই বাং বাং বিং বিং শব্দৰ কি উত্তৰ দিম ভাব্যোতেই সি ওচৰলৈ গৈ, সিহঁতক গাখৰ ভিতৰলৈ নি, ভাৰ

নমোৱালে। অসমীয়া জনা নগাটোৱে কলে, যে এই নগাই, আমাক অতিথি মানি, কিবা খুৱাবলৈ যুগুত কৰিছে। বাটত নগা চাহ খালোঁ, এই বেলি কি খাব লাগিব ভাবি অছিব। কাৰণ শুনিছিলোঁ যে নগাবিলাকে কুকুৰ-পিঠা খায়। তেনেহলে এই বেলি কুকুৰ-পিঠা খাব লাগিবনে কি? আমাৰ আৰু কিমান যে উন্নতি হব, চাবলৈ মন কৰি, সেই নগাৰ ঘৰৰ চোতালৰ বাঁহৰ চাঙত বহিলোঁ। ভাৰীবিলাকে ঘৰৰ ভিতৰ সোমাই কিবাকিবি খাবলৈ আৰু কথা পাতিবলৈ ধৰিলে। আমাক, আমাৰ বাটত নগাই সিজোৱা চাহপানী দিলত আমি লগত নিয়া বিস্কুট কেইটামান উলিয়াই চাহ খাবলৈ ধৰিলোঁ। আমি নগা গাৱঁত। নগাবিলাকৰ ঘৰ বেৰ আৰু টকৌপাতেৰে সজা। পৰ্ব্বত অসমান, সেই নিমিত্তে ঘৰৰ সন্মুখ ভাগ মাটি (অৰ্থাৎ শিল) সংলগ্ন আৰু অন্যভাগ প্ৰায় ১২।১৬ হাত মান ওখ, বাঁহৰ খুটা [illegible]ৱা চাং-ঘৰ। ধুমুহা বতাহে ঘৰবিলাকক "চিলা" উৰায় নে উৰায় ভাবি ঠিক ক'ব নোৱাৰিলোঁ।

চাহ খোৱা হলত, পুনৰ ভাৰীবিলাকৰ লগত পৰ দিবলৈ ধৰিলোঁ। প্ৰায় গধুলিত এখন অলপ ডাঙৰ জৰণা পাই জৰণাৰ কটফটীয়া পানী দেখি আনন্দিত হলোঁ। কাৰণ নগাগাওঁ, আৰু এই প্ৰকৃতিৰ শোভা বেলেগ। নগাগাৱঁত সোমালে [illegible] মন যায়, আৰু এই প্ৰকৃতিৰ শোভাই মন মোহিত কৰি বান্ধি থবলৈ চেষ্টা কৰে। জৰণা দেখি মইও তৃষ্ণা ভাগৰ পাহৰি গৈ [illegible] হলোঁ। জৰণাৰ পানী ক'ল ক'ল শব্দেৰে এই নিৰ্জ্জন পাহাৰীয়া প্ৰদেশ ভেদ কৰি গম্ভীৰ ভাবে নিৰ্ম্মল পানী লৈ মানুহ পশু চৰাই [illegible], [illegible] আদি প্ৰাণীক পানী যোগাই, কৈঁকুৰি-বেঁকুৰি, নিজৰ স্বভাবৰ সুবিধা মতে বৈ গৈ আছে। পানী দেখিয়েই জৰণাত নামিলোঁ। জৰণা, শিল, অৰণ্য, থিয় থিয় শিলবিলাক, সেউজীয়া বননৰ ওপৰত [illegible] ৰ'দ পৰি সেউজীয়া-কাঞ্চনময় এক অপূৰ্ব্ব বৰণ। এই অপূৰ্ব্ব সেউজীয়া-কাঞ্চনময় বৰণ পৰ্ব্বতৰ শৃঙ্গে শৃঙ্গে। সেই শৃঙ্গবিলাকৰ গাত মেঘৰ আবৰণ, আকাশত গধুলিৰ ৰঙা মেঘ, আকাশত "ধনেশ" চৰাই উৰি যোৱা "চাউ" "চাউ" শব্দ, অৰণ্যৰ ভিতৰত গধুলিৰ "হইকল" চৰাইৰ মাত, "নৰীকৰ" গোৱৰনি, "পশুৰ" মাত, "ঝিলিৰ" মাত, "উচিৰিঙাৰ" চি চিৰনি, আৰু এইবিলাকৰ তালে তালে জৰণাৰ ক'ল ক'ল শব্দ শুনি মোৰ মনত এক নিৰ্ম্মল ভাব আহি মোৰ মনক ভাবুক কৰিলে। মোৰ মনে বুজিলে যে এই যে প্ৰকৃতিৰ শোভা এই যে প্ৰকৃতিৰ উদ্দেশ্য,



এই যে প্ৰকৃতিৰ কাৰ্য্য। মানুহে সজা কলিকতা আৰু প্ৰকৃতিৰ আশ্ৰয় লৈ নগাই সজা নগাগাঁও সম্পূৰ্ণ বেলেগ। আসাম আৰু বঙ্গালদেশৰ শোভা মানুহৰ হাত লাগি বেলেগ, আৰু এই নগা দেশ বেলেগ। মোৰ মনে বুজিলে যে বাস্তবিকতে এই নগাবিলাক প্ৰকৃতিৰ সন্তান। কাৰণ আমি অজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ প্ৰতি কাৰ্য্যত, অবিদ্যাক বিদ্যা বুলি শিকি, আমি প্ৰকৃতিৰ আশীৰ্ব্বাদৰপৰা কিমান দূৰৈত আছোঁ। নগা দেশ, নগা নিয়ম প্ৰণালী, নগাৰ স্বভাব চৰিত্ৰ, আমাৰ লগত নিমিলে। এই প্ৰকৃতিৰ সন্তানবিলাকে আমাৰ লৰা তিৰোতাক পিঠিত লৈ এই থিয় থিয়, পৰ্ব্বত কেনে অবলীলাক্ৰমে বগাইছে। দিনে ৰাতিয়ে শাৰিৰিক পৰিশ্ৰমৰ ওপৰত নিৰ্ভৰ। এলাহ নাই, অভাব নাই, লগত সিহঁতৰ অমূল্য ঐশ্বৰ্য্য আৰু প্ৰধান লাগতিয়াল সুহৃদ দা আৰু যাঠী আছেই; ভোক পিয়াহ লাগিলে, নাইবা শত্ৰুৰপৰা ৰক্ষা কৰিবলৈ হলে, সকলো যুগুত। চাউল নেপালে বনৰীয়া আলু কচু আছে, দাৰে খানিলেই হয়। লগত টিঙিৰি শিল আছে, পইচা খৰচ কৰি "জুইশলা" কিনিব নেলাগে। আৰু আমি ডেকাকালৰেপৰা, কোনোৱে লৰা কালৰেপৰা, চকুত "চচ্মা" লগাই বহি বহি কাপ চলাই চলাই গধূলি এমাইল মান বাট "হাবা থাই" দুখ-ভাগৰত ঘামি-জামি ঘৰলৈ আহি, ভাবিৰ কোৰত, কলাইক, বঙ্গাইক তত নাইকিয়া কৰোঁ, ডাবি-হকি দি, "চৰবত" "চডা ওৱাটৰ" পান কৰি, গাকত আউজি কেঁপাবলৈ ধৰোঁ। লৰাই চোলা শোলোকালেই, "কাপোৰ পিন্ধ, পানী লাগিব—" বুলি ডাবি দিওঁ। কাপোৰ, জোতা, মোজা, পিন্ধি, আতৰ এচেক ঘঁহি, বাৰ মাহত তেৰ প্ৰকাৰ ৰোগত আমি ভুগিছোঁ। ইয়াৰ কাৰণ এই যে, আমি প্ৰকৃতিৰ নহওঁ, আমি কৃত্ৰিম। এই নগা দেশৰ যি ফালে চকু যায় সেই ফালেই সেই বোধ-অগম্য, সৰ্ব্বশক্তিমান, পৰমঈশ্বৰে প্ৰকৃতিৰূপে যে কি লীলা কৰিছে, চাই চাই মোৰ মুখ মেলা থালে আৰু মনে প্ৰকৃতি পুৰুষৰ স্তুতি কৰিলে। এনে সময়ত মোৰ অহং জ্ঞানে মোক অহংময় কৰিলে। ভাবিলোঁ অৱশ্যে বুকু ওফোন্দাই—মই অসমীয়া, এইবিলাক নগা আমাতকৈ ভাল হব পাৰে? ইয়াৰ উত্তৰত, পূৰ্ব্বৰ ভাবনা পাহৰি, নগাবিলাকলৈ চকুৰ একোণেদি ঘিণ-লগা দৃষ্টিৰে চাই বুজিলোঁ যে, মই ময়েই, আৰু এইবোৰ "কটা নগা"। মনত এই ধাৰণা কৰি, মই জৰণাৰপৰা উঠিলত, নগাবিলাকে ভাৰ লৈ পুনৰ যাবলৈ ধৰিলে।

ক্ৰমে গধুলি, গধুলিৰ পাছত সন্ধ্যা, সন্ধ্যাৰ পাছত আন্ধাৰ হ'ল। চকুৰে কেৱল ভাবিবিলাকলৈ নজৰ ৰাখি, ভৰি খেলাই খেলাই গৈ আছিলোঁ। পাছত নগাবোৰেও খোজ দিব নোৱৰা হলত সিহঁতে নিজৰ নিজৰ ককালৰ দাৰে, সেই আন্ধাৰত শুকান বাঁহ বিচাৰি আনি জোৰ জ্বলাই, জোৰ এডাল এডাল হাতেপতি লৈ, সিহঁতৰ সুললীত গীত গাই গাই দূৰৈতে পহু, বাঘ, হাতী, আদিক "হেল" "হো" শব্দৰ দ্বাৰাই খেদাই যাবলৈ ধৰিলে। এই প্ৰকাৰে অলপ দূৰ গৈ মোৰ ভৰি আৰু নচলা হ'ল। কোঁপনিত উশাহ লবলৈ টান হ'লত, নগা এটাই, মোৰ হাতও ধৰি টানি টানি নিবলৈ ধৰিলে। কিন্তু আৰু এমাইলমান এইৰূপে গৈ, মাটিত শুই পৰিলোঁ আৰু আজি ইয়াতে মোৰ জীৱনলীলা শেষ হব যেন ভাবি, ভাবীবিলাকক মোক এৰি যাবলৈ ইঙ্গিত কৰিলোঁ। ভাবীবিলাকে কিন্তু মোক এৰি নগৈ দুটামানে মোৰ ভৰি হাত পিটিকিবলৈ ধৰিলে। মোক অলপ সুস্থ যেন দেখি এটা নগাই, তাৰ গাৰ কাপোৰখনেৰে, মোক তাৰ পিঠিত বান্ধি লৰ দিবলৈ ধৰিলে। অৰ্থাৎ মই দলোপাণিয়ে পৰ্ব্বত বগাব নোৱাৰাত, নগাই দলোপাণিক পিঠিত বান্ধি লৰ দিলে। মই কেতিয়া যে নগাৰ পিঠিত টোপনি গলোঁ মনত নাই; কিন্তু গন্তব্য ঠাইত মোক নমাই দিলতহে মোৰ জ্ঞান আহিল। অসমীয়া বেশধাৰী নগা এজনে লৰালৰিকৈ জুই একুৰা ধৰি, গাখীৰ এবাটি তপত কৰি মোক দিয়াত, মই আনন্দেৰে গাখীৰ পান কৰি, সেই জুইশালৰ ওচৰত, কম্বল এখন গাত মেৰিয়াই, শুই টোপনি গলোঁ। নিদ্ৰাদেবীয়ে তেওঁৰ পবিত্ৰ শান্তিময় আশীৰ্ব্বাদ কৰি, মোৰ দুখ ভাগৰ দূৰ কৰিলে। ৰাতিপুৱা সাৰ পাই, এটি এটিকৈ সকলো কথা মনত পৰাত, মই দলোপাণিয়ে দলো টোকোন ক'ত যে এৰি আহিলোঁ, ভাবি নেপাই, কেতিয়াবা হাঁহিলোঁ কেতিয়াবা হমুনিয়াহ পেলালোঁ। মই কেনে দলোপাণি বীৰবৰ বুজিলোঁ।

জে, এইচ, এক্ৰ।

---



# ৰান্ধনী।

## ৰাজভোগ পোলাও।

উপকৰণ।—মাটিকঠাল এটা, চেনি ডেৰপোৱা, দালচেনি দুগিৰা, লং ছটা কি সাতোটা, পানী ডেৰ পোৱা, জাফ্ৰাণ চাৰি ৰতি, কাগজী নেমু এটা। এইবোৰ মাটিকঠালৰ ৰস প্ৰস্তুত কৰিবলৈ মছলা।

পটল কুৰিটা, কোমোৰাৰ মিঠাই ডেৰ পোৱা, খিচ্‌মিচ ডেৰ ছটাক, বাদাম ডেৰ ছটাক, পেস্তা আদ ছটাক ( পেস্তা নিদিলেও চলে ), বৰ এলাচি তিনটা, শুক্ৰ্বাটী এলাচি আঠ-দহটা, চেনি এপোৱা, গোলাপী আতৰ তিনি টোপা, নাইবা ভাল গোলাপ-পানী এখন চাহৰ চনেৰে এচন, পানী তিনি পোৱা, জাফ্ৰাণ চাৰি ৰতি, দালচেনি দুগিৰা, লং ছটা। এইবোৰ পটলৰ মিঠা দোল্মাৰ মছলা।

চাউলৰ মছলা।—সুহাচাউল আদসেৰ, ডাঙৰ নাৰিকল এটা, পানী তিনি পোৱা, ঘিউ দুছটাক, জাফ্ৰাণ চাৰি ৰতি।

পোলাও সজোৱা মছলা।—শুক্ৰবাটী এলাচি ছটা, গোলাপ-পানী এছটাক, ৰূপৰ পাত আঠোটা।

মাটিকঠালৰ বাকলি গুচাই, তাৰ চকুবোৰ উলিয়াই পেলাই, মাটিকঠালটো ছকলাছকলকৈ কাটিবা। প্ৰত্যেক ছকলাক চাৰি ছকলাকৈ আকৌ কাটি তাত অলপ লোণ সানি ধুই পেলাবা। আদ্‌পোৱা পানীত এইবোৰ সিজিবলৈ এটা চৰুত বহাই দিবা। ওঠৰ কি কুৰি মিনিটৰ পাছত চৰুটো নমাই তাৰ পানীবোৰ সেঁকাই পেলাবা।

এতিয়া এই সিজা মাটিকঠালবোৰত ডেৰপোৱা চেনি, দালচেনি, লং, আৰু এপোৱা পানী দি আকৌ জুইত তুলি দিয়া। পাঁচ সাত মিনিটমান চৰুটোৰ মুখখন ঢাকি দি আকৌ মুকলি কৰি দিবা। তাৰপৰা ১৫ মিনিটমানৰ পিছত তাত জাফৰাণ পেলাই দিবা। তাৰ পিছত নেমুটোৰ ৰস দিবা। এখন কাঠৰ হেতা বা চনেৰে লৰাই দিবা। ৰস অলপ ডাঠ হৈ আহিলে নমাই থবা।

পটলৰ বাকলি গুচাই গোটে গোটে ৰাখিবা। পটলবোৰ এটা এটাকৈ দুই হাতেৰে মোহাৰি, দহ-পোন্ধৰ মিনিট ৰদত থৈ দিবা। পটলবোৰ অলপ কোমল হোৱাৰ পিছত আকৌ দুই হাতেৰে মোহাৰি কোমল কৰি লবা। এতিয়া

পটলবোৰ দীঘলে দীঘলে এখন ছুৰি কটাৰীৰে ছিৰ দিয়াঁ। ছিৰবিলাকৰ বিষ্কাইদি পটলৰ গুটিবোৰ উলিয়াই পেলাবা। ইয়াৰ পিছত পটলবোৰ ধুই এটা শুকাঁয়া পাত্ৰত থৈ দিবা।

কোমোৰাৰ মিঠাইবোৰ কুটি থবা। বাদাম আৰু পেস্তাবিলাক তপত পানীত তিয়াই থবা। পাছত সেইবোৰৰ চোকোৰা গুচাই সেইবোৰ কুটি পেলাবা। খিচ্‌মিচবোৰ ধুই মছি থবা। বৰ এলাচি আৰু গুজৰাটী এলাচীবোৰো অলপ পেতেলাই থাখিবা।

আধেৰ পানীত পটলবোৰ সিজিবলৈ জুইত বহাই দিবা। আঠ-দহ মিনিটৰ পিছত সেই পটল নমাই পানী সৰাই দিবা, আৰু লাহে লাহে পটলবোৰ চেপি চেপি তাৰ ভিতৰৰ পানীবোৰ উলিয়াই পেলাবা।

এতিয়া খিচ্‌মিচ, আৰু কুটি থোৱা কোমোৰাৰ মিঠাই, বাদাম আৰু পেস্তা, এলাচিৰ গুৰি, আতৰ বা গোলাপ-পানী, এটাইবোৰ একে লগে মিহলাই পটলৰ ভিতৰত ভৰাই দি প্ৰত্যেকটো পটলকে সৰু সূতা এডালিৰে তিনি চাৰি পাক ঘূৰাই বান্ধিবা।

এপোৱা পানীত এপোৱা চেনি দি চকুত বহাই দিবা। ভুগিবা দালচেনি, লং, ছটা গুজৰাটী এলাচিৰ মুখ ফালি ইয়াত পেলাই দিবা। ইয়াৰ সাত-আঠ মিনিটৰ পিছত পটলৰ দোৱাবিলাক ইয়াত পেলাই দিবা। তাৰপৰা আকৌ পাঁচ সাত মিনিটৰ পিছত, পূবৰ বাকী বস্তুবোৰ আৰু জাফ্‌ৰাণ সেই ৰসত পেলাই [illegible]ৰিৰ ঘন হব লাগিব। এই ৰস পকিবলৈ প্ৰায় কুৰি মিনিট সময় [illegible]

[illegible] নাৰিকলটো কুৰুকি লৈ, আৰু এছটাক নৰ্মত পানী মিহলাই লৈ, এখন [illegible] কাপোৰেৰে চেপি তাৰ ৰস উলিয়াবা। ৰ শিটাবিলাকত আকৌ তিনি [illegible] তপত পানী মিহলাই আকৌ [illegible]ৰ চেপি তাৰ উলিয়াবা।

চাউল ধুই এটা থৰাহিত মেলি থব। আদপোৱা [illegible] জুইৰ ওপৰত বহাই দিয়াঁ। তেজপাত, দালচেনি, লং গুজৰাটী এলাচি তাত দিয়াঁ। মছলা যেতিয়া ঘিউত ফুট্ ফুট্-ফাট্ শবদ হব, তেতিয়া তাত চাউল বহাই দিবা। হেতাৰে লৰাই থাকিবা। যেতিয়া ঘুই এটা চাউল চুনৰ নিচিনা বগা হব, তেতিয়া অ[illegible]



অলপকৈ, সেই নাৰিকলৰ ৰস ( গাখীৰৰ নিচিনা আচল ৰস ) চাউলৰ ওপৰত দি চাউলবোৰ লৰাই লুটিয়ালুটি কৰি দিবা। প্ৰায় পোন্ধৰ মিনিটমান সময়ত সেই নাৰিকলৰ ৰস চাউলে খাব। এই আচল অৰ্থাৎ নিপানী ৰস চাউলে খালে তাৰ পিছত নাৰিকলৰ পনীয়া ৰস ( অৰ্থাৎ যি ৰস শিতাত পিছত পানী মিহলাই চেপি উলিয়াই থোৱা হৈছিল ) ইয়াত ঢালি দি, চকটোৰ মুখখনত ঢাকোন দি ঢাকি দিবা। তাৰ অলপৰ পিছত কোমোৰাৰ মিঠাই, বাদাম, খিচ্‌মিচ, পেস্তা, জাফ্‌ৰাণ এই এটাইবোৰ তাত দি লৰাই, আকৌ চকটোৰ মুখখনত ঢাকোন দি ঢাকি থবা। ইয়াৰ পোন্ধৰ মিনিটৰ পিছত আদপোৱামান মাটিকঠালৰ-চেনিৰ ৰস তাত ঢালি দিবা। প্ৰায় দহ মিনিটৰ পিছত ভাত জৰ্‌জৰীয়া হৈ গলে নমাই থবা।

এইবাৰ এটা দ পাত্ৰৰ ভিতৰত প্ৰথমতে আধ ছটাক গোলাপ-পানী দি তাৰ ওপৰত এক থাক সেই ভাত দিয়াঁ। তাৰ ওপৰত ৰসেৰে সৈতে মাটিকঠাল সজাই দিয়া। তাৰ ওপৰত আকৌ ভাত এথাক সজোৱাঁ। তাৰ ওপৰত পটল ৰসেৰে সৈতে সজাই দিয়াঁ। আকৌ তাৰ ওপৰত ভাত সজাই দিয়াঁ; আৰু তাৰ ওপৰত আকৌ ৰসেৰে সৈতে মাটিকঠাল আৰু পটল আগৰ দৰে থাকে থাকে দি সজোৱাঁ। এই দৰে যেতিয়ালৈকে ভাত, মাটিকঠাল আৰু পটল থাকিব, তেতিয়ালৈকে সেই দৰে থাকে থাকে সজাবা। কিন্তু সকলোৰে ওপৰত পটল থাকিব লাগিব। ওপৰত বাকী গোলাপ-পানী গুজৰাটী এলাচিৰ গুৰি দি দিবা। ছটা কি সাতোটা পটল ৰূপৰ পাতেৰে মেৰিয়াই ওপৰত সজাই দিবা তাৰ পিছত ওপৰৰ ভাতটো ৰূপৰ পাত দি সজাই দিবা।

এই পোলাও, পৰমান্নৰ সলনি খাবলৈ দিব পাৰিবা।

শ্ৰীপ্ৰজ্ঞাসুন্দৰী দেবী।

## বিয়াৰ নাম।

### কইনাৰ আম সাবৰ নাম।

আগত দিয়াঁ ২ পঞ্চ আয়তীয়ে হে ৰাম ৰাম পঞ্চ আয়তীয়ে।
দিবা ঘটৰ জল দিবা মেনকা সুন্দৰী॥
দূৰ্ব্বাক্ষত শিৰে দিয়া, পাৰোক উৰুলি হে ৰাম ৰাম পাৰোক উৰুলি।
সুমঙ্গল হোক বুলি কৰা জয়ধ্বনি॥
কৈলাশতে আছে বৰ অতি পুণ্যবন্ত হে ৰাম ২ অতি পুণ্যবন্ত।
মাতি আনি গোৰী দেবীক বিবাহ দিবন্ত॥
জগতে যৌতুক দিব নানা ৰত্ন ধন হে ৰাম ২ নানা ৰত্ন ধন।
ধৰ্ম্মৰ ৰাখিব দোল পৰ্ব্বত সমান হে ৰাম ২ পৰ্ব্বত সমান॥
শিৱৰ সঙ্গে মনত ৰঙে ৰব সদাকাল হে ৰাম ২ ৰব সদাকাল।
কাৰ্ত্তিক গণেশ সম পুত্ৰ হৈব ভাল হে ৰাম ২ পুত্ৰ হৈব ভাল॥
সাবিত্ৰী সদৃশ ধৰ্ম্ম তোমাতে যেন ৰয় হে ৰাম ২ তোমাতে যেন ৰয়।
পৃথিবী সদৃশ, জীৱক ক্ষমাগুণ হয় হে ৰাম ২ ক্ষমা গুণ হয়॥
নমো পূৰ্ণানন্দ ৰঙোৱা আনন্দ হৰগোৰী তুল্য কৰাঁ হে।
দীৰ্ঘায়ুস কৰি দিয়াঁ সুখভোগ, যতেক বিধিনি হৰাঁ হে॥

### গাঠিয়ন খুন্দাৰ নাম।

উৰুলি ৰাজ্যৰ গোক্ষে গাঠিয়নে, নামনি ৰাজ্যৰে পটা।
পাঁচো আয়তীয়ে গাঠিয়ন খুন্দিছে, উৰুলি এজোকাৰ দিয়াঁ।
গাঠিয়ন খুন্দিবা, হেলা নকৰিবা,
ঐ ৰাম, বোপাদেওৰ শিৰতে দিয়াঁ হে।
পাঁচো আয়তীয়ে উৰুলি পাৰিবা,
ঐ ৰাম বিবাহৰ মঙ্গলে কৰাঁ হে।
গাঠিয়ন খুন্দাতী দূৰী এ,
আমাতো নোসোধ বুধি এ।
আইসকল হৰি বোলা হৰি এ হৰি॥
সাবিত্ৰীৰ সম হৈবা সতী পতিব্ৰতা ৰাম ২ সতী পতিব্ৰতা।
স্বামীৰ সেৱাত মতি ৰাখিবা সৰ্ব্বদা॥



কুন্তীৰ সদৃশ পুত্ৰ দিবেক ঈশ্বৰে।
পৰম আনন্দে সদা থাকিবাহা ঘৰে॥
দ্ৰৌপদীৰ সম ক্ষমা হৈবেক তোমাৰ।
ধৰ্ম্মত হৈবেক মতি এই সাৰে সাৰ॥
অচলা হৈবেক লক্ষ্মী তোমাৰ গৃহতে।
জয় জয় হুয়া হুয়ো ৰঙ্গিবা একত্ৰে॥

শ্ৰীপদ্মাবতী দেবী ফুকননী।

---

## দ্ৰৌপদী।

তোমাৰ জনম যজ্ঞৰ কুণ্ডত
দ্ৰোপদ জীয়াৰী তুমি।
প্ৰিয় সখা তব জগতৰ পতি,
পঞ্চ পাণ্ডুপুত্ৰ স্বামী॥
পঞ্চ স্বামী তব দেব অৱতাৰ,
তুমি লক্ষ্মী স্বৰূপিণী।
দুখাৰি চকুলো এতিয়াও বয়
তব দুখ মনে গুণি॥
যি দিনা শকুনি কপত পাশাত
জিনিলে তোমাক দেবী।
(হায়) কতযে লাঞ্ছনা সিদিনা তোমাৰ,
ৰজস্বলা তাতে তুমি।
ভীষ্ম আদি কৰি গুৰুসকলক
কৰিলা কতনো স্তুতি।
শুনি নুশুনিলে তোমাৰ কান্দোন
সকলো ৰ'ল নেমাতি॥

ভকতবৎসল শ্ৰীকৃষ্ণক স্মৰি
প্ৰাৰ্থনা কৰিলা যেই।
পৰম দয়ালে স্বৰ্গৰপৰাই
ৰাখিলেহি লজ্জা সেই॥
তাৰ পাছে আৰু দেখি দুখ লাগে
তপস্বিনী বেশে তুমি।
দ্বাদশ বৎসৰ স্বামীৰ লগত
বনত ফুৰিলা ভ্ৰমি॥
বিৰাটৰ ঘৰে সৈৰিন্ধ্ৰিৰ বেশে
অজ্ঞাত বছৰটি গ'ল।
পতিব্ৰতা তুমি তোমাৰ শাপত
কৌৰবৰ ধ্বংস হ'ল॥
ধন্য তব পিতৃ দ্ৰোপদ ৰাজন,
ধন্য ধন্য তব স্বামী।
ধন্য তব ভ্ৰাতৃ ধৃষ্টদ্যুম্ন বীৰ
ধন্য ধন্য দেবী তুমি॥
সামান্য মানবী ধন্য হওঁ আমি
তোমাৰ চৰণ সেৱি।
কি কৰি বৰ্ণাম তোমাৰ চৰিত্ৰ
তুমি যে কি ৰত্নদেবী॥
ঋষি মুনি আদি সকলোৰে তুমি
প্ৰাতঃস্মৰণীয়া হ'লা।
বহুত দিনৰ আগেয়ে যদিও
সংসাৰ তিয়াগি গ'লা॥

শ্ৰীযমুনেশ্বৰী খাটনীয়াৰ।